


# 5 ঔদ্যোগীক সমাজত পৰিবৰ্তন আৰু উন্নয়ন

## Change and Development in Industrial Society

তুমি শেহতীয়াকৈ চোৱা চিনেমাখন কি আছিল বাৰু? আমি নিশ্চিত যে, তুমি আমাক চিনেমাখনৰ নায়ক আৰু নায়িকাৰ নাম ক'ব পাৰিবা। কিন্তু তুমি, চিনেমাখনৰ আঁৰৰ কলা-কুশলীসকল অৰ্থাৎ পোহৰ আৰু শব্দ পৰিচালনা বা ব্যৱস্থাপনা কৰা লোক অথবা ৰূপসজ্জা আৰু নৃত্য-নিৰ্দেশনাত থকা লোককেইজনৰ নাম মনত পেলাব পাৰিবানে? আনহাতে দেখা যায় যে, কিছুমান ব্যক্তি, যিসকলে চিনেমা এখনৰ দৃশ্য গ্ৰহণৰ বাবে প্ৰয়োজনীয় দৃশ্যসজ্জা তৈয়াৰ কৰে সেই সকলেও তেওঁলোকৰ কৰ্মৰ স্বীকৃতি কোনো দিনেই নাপায়। অথচ এই শিল্পী সকলৰ অবিহনে চিনেমা এখন নিৰ্মাণ কৰাতো কেতিয়াও সম্ভৱ নহয়। ভাৰতৰ হিন্দী চিনেমা এখন নিৰ্মাণৰ মূল ঠাই বলীউড তোমালোকৰ বাবে বা আমাৰ বাবে এখন সপোনপুৰী হ'ব পাৰে, কিন্তু বহুলোকৰ বাবে এই বলীউড কৰ্মক্ষেত্ৰহে । অন্যান্য বহুতো উদ্যোগৰ দৰেই ইয়াৰ কৰ্মচাৰীসকল বা কৰ্মীসকলৰ মাজত কৰ্মী সংঘ দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে নৃত্যশিল্পী, বিপজ্জনক খেল দেখুওৱা শিল্পী (stunt artists), সামান্য ভূমিকা লোৱা অভিনয় শিল্পী(extras)সকল কনিষ্ঠ সংঘৰ অন্তৰ্ভুক্ত। এইসকলৰ মূল দাবী হ'ল দৈনিক ৮ ঘন্টা শ্ৰম, উপযুক্ত পাৰিশ্ৰমিক আৰু কৰ্মস্থলীত নিৰাপদ পৰিৱেশ। এই উদ্যোগত উৎপাদিত বোলছৱিবোৰৰ সঠিক বিজ্ঞাপন বা ব্যৱসায়িক ক্ষেত্ৰলৈ উলিয়াই নিয়াৰ ক্ষেত্ৰত চিনেমা গৃহৰ স্বত্বাধিকাৰী আৰু বোলছবিবোৰৰ পৰিবেশকসকলে যথেষ্ট পৰিমাণে সহায় কৰে। ইয়াৰ লগতে এই ক্ষেত্ৰত চিনেমাবোৰৰ গীতৰ কেছেট বেচোঁতা বা ভিডিঅ' বিক্ৰেতাবোৰেও এই চিনেমাবোৰৰ ব্যৱসায়িক দিশটোত যথেষ্ট সহায় কৰে। কাৰণ কেছেটযোগে গীতবোৰ শুনাৰ পাছত বা ভিডিঅ'ৰ ৰূপত চোৱাৰ পাছত চিনেমাৰ ৰূপত চাবৰ বাবে মানুহ আকৰ্ষিত হয়।

চিনেমা জগতৰ তাৰকাসকল আৰু কাপোৰৰ মিলৰ মালিকসকল জুহুৰ দৰে বিলাসপূৰ্ণ ঠাইৰ বাসিন্দা যদিও চিনেমাৰ সহশিল্পী আৰু কাপোৰৰ মিলৰ কৰ্মচাৰীসকলে গীৰানগাঁৰৰ দৰে পিছপৰা অঞ্চলত বসবাস কৰে। কিছুমানে পঞ্চতাৰকাযুক্ত হোটেলত গৈ সু-স্বাদু জাপানী আহাৰ "চুচি"ৰ সোৱাদ লোৱাৰ বিপৰীতে আন কিছুমান স্থানীয়ভাৱে প্ৰস্তুত কৰা 'বড়া পাও' (vada paw) খাই জীৱন নিৰ্বাহ কৰে। দেখা গৈছে যে বম্বে মহানগৰীত বাসস্থান, খাদ্য আৰু সাজ- পোছাকৰ মূল্যৰ ওপৰত নিৰ্ভৰ কৰি বাসিন্দাসকল বিভাজিত হৈছে। কিন্তু তেওঁলোকৰ কিছুমান কাম যেনে চিনেমা বা ক্ৰিকেট খেল উপভোগ কৰা, একে ধৰণৰ বায়ু প্ৰদূষণৰ দ্বাৰা প্ৰদূষিত হোৱা আৰু নিজৰ সন্তানক উচ্চ স্তৰলৈ লৈ যোৱাৰ বাসনা ইত্যাদিৰ ক্ষেত্ৰত সাদৃশ্য থকা দেখা যায়।

মানুহে ক'ত, কেনেকৈ আৰু কি প্ৰকাৰৰ কাম কৰিছে এই কথা যথেষ্ট গুৰুত্বপূৰ্ণ।

এই অধ্যায়টোত আমি প্ৰযুক্তিবিদ্যাৰ পৰিবৰ্তন আৰু কৰ্মৰ ভেদাভেদে ভাৰতবৰ্ষৰ সামাজিক সম্পৰ্কবোৰলৈ কেনেকৈ পৰিবৰ্তন আনিছে তাক আলোচনা কৰিম। অন্যহাতে দেখা যায় যে সামাজিক সংস্থা যেনে ঃ- জাতি, স্বজনীয় সংযোগ, লিংগ আৰু অঞ্চল ইত্যাদিয়ে মানুহৰ কৰ্মপদ্ধতি আৰু সামগ্ৰীৰ বিপণনৰ প্ৰণালীৰ ওপৰত প্ৰভাৱ পেলায়। এয়া সমাজতত্ববিদসকলৰ বাবে এক প্ৰধান গৱেষণাৰ ক্ষেত্ৰ হিচাপে বিবেচিত হৈছে।

উদাহৰণস্বৰূপে অভিযান্ত্ৰিক খণ্ডৰ চাকৰিতকৈ পৰিচৰ্যা কৰা বা শিক্ষকতাৰ চাকৰিত আমি কিয় অধিক সংখ্যক মহিলা প্ৰত্যক্ষ কৰো? এয়া মাত্ৰ এক কাকতালীয় সংযোগ (coincidence) বুলি ধৰা যাব নে? অথবা ইয়াৰ কাৰণ হ'ল সমাজৰ বিবেচনাত কঠিন আৰু পুৰুষৰ চাকৰিৰ বিপৰীতে যত্ন লোৱা আৰু প্ৰতিপালন কৰা কামৰ বাবে মহিলাসকল উপযোগী। কিন্তু এই কথাও ঠিক যে শুশ্ৰষাকাৰিণী বা ধাত্ৰীৰ কৰ্ম এখন দলঙৰ আৰ্হি প্ৰস্তুত কৰাতকৈ কোনো গুণে সহজ নহয় বৰং বহু ক্ষেত্ৰত জটিলহে। আকৌ বেছি সংখ্যক মহিলাই যদি অভিযন্তাৰ বৃত্তি গ্ৰহণ কৰে, তেন্তে সেই বৃত্তিৰ ওপৰত কেনে ধৰণৰ প্ৰভাৱ পৰিব পাৰে বাৰু? তোমালোকে নিজকে সোধা যে কিয় বহুতো ভাৰতীয় কফি বিজ্ঞাপন দিওঁতাই প্ৰতি পেকেজত দুটা কাপ আৰু আমেৰিকাৰ বিজ্ঞাপন দিওঁতাই পেকেজে প্ৰতি এটা কাপৰ ছবিহে দিয়ে। ইয়াৰ প্ৰত্যুত্তৰ এনে ধৰণৰ হ'ব যে, কফি খোৱাটো ভাৰতীয়সকলৰ নিতৌ পুৱাৰ এটা ব্যক্তিগত কাৰ্য নহয়, এইটো হ'ল অন্য এজনৰ লগত সামাজিককৰণ হোৱাৰ কাৰকহে। সমাজতত্ত্ববিদসকলে এই ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা প্ৰশ্নবোৰ হ'ল - কোনে কি উৎপাদন কৰিব, কোনে ক'ত কাম কৰে, কোনে কাক কেনেকৈ সামগ্ৰী বিক্ৰী কৰে ইত্যাদি। প্ৰকৃতাৰ্থত এইবোৰ ব্যক্তিগত পছন্দ নহয়, বৰঞ্চ সামাজিক প্ৰতিৰূপৰ বহিঃ প্ৰকাশহে। আকৌ সমাজৰ কাৰ্য কেনেদৰে চলে তাৰ ওপৰত মানুহৰ পছন্দই প্ৰভাৱ পেলায়।

## ৫.১ ঔদ্যোগীক সমাজৰ প্ৰতিচ্ছবি (Images of Industrial Society)

সমাজতত্ত্বৰ বহুবোৰ মহত্বপূৰ্ণ লিখনি হৈছিল এনে এটি সময়ত, যি সময়ত উদ্যোগীকৰণ এক নতুন প্ৰক্ৰিয়া হৈ আছিল আৰু যি সময়ত যন্ত্ৰ গুৰুত্বপূৰ্ণ হৈ উঠিছিল। কাৰ্লমাৰ্ক্স, মেক্স ৱেবাৰ আৰু ইমাইল ডাৰখেইমৰ দৰে সমাজতত্ত্ববিদে উদ্যোগৰ লগত জড়িত ভিন্ন সামাজিক দিশৰ বিষয়ে অধ্যয়ন কৰিছিল। এইবোৰৰ ভিতৰত আছিল উদ্যোগীকৰণৰ দ্বাৰা সৃষ্টি হোৱা নগৰীকৰণ, য'ত গ্ৰাম্য সমাজত বিদ্যমান মুখামুখী সম্পৰ্ক হেৰাই যায়। উদ্যোগীকৰণৰ আন এটি দিশ শ্ৰম বিভাজন (division of labour) ৰ ওপৰতো অধ্যয়ন কৰিছিল ইমাইল ডাৰখেইমে। উদ্যোগ ব্যৱস্থাত বহুতো কৰ্মীয়ে তেওঁলোকৰ কামৰ চুড়ান্ত ফল কি হয় তাক নেদেখে কিয়নো তেওঁলোকে প্ৰত্যেকেই

সৰ্বশেষত লাভ কৰা উৎপাদনটোৰ বাবে প্ৰয়োজনীয় সমগ্ৰ উৎপাদন প্ৰক্ৰিয়াৰ কোনো এক সৰু অংশতহে কাম কৰে। তথাপিও ক'ব পাৰি যে একো কাম নকৰাতকৈ অথবা নিয়োগহীন হোৱাতকৈ এই প্ৰক্ৰিয়াটোৱেই ভাল? মাৰ্ক্সে এই উদ্যোগত কৰ্মৰত মানুহে তেওঁলোকৰ কৰ্মত আনন্দ লাভ কৰিব নোৱাৰা দিশটোক, য'ত তেওঁলোকে যেন কেৱল জীৱন ধাৰণৰ বাবে কৰ্ম কৰিছে এনে মনোভাৱ গ্ৰহণ কৰাটোক অপসাৰিতা (Alienation) বুলি আখ্যা দিছে।

কিছু কিছু ক্ষেত্ৰত উদ্যোগীকৰণে মানুহক বৃহৎ সমতাৰ দিশতো আগবঢ়াই নিয়ে। উদাহৰণ স্বৰূপে- ৰেলগাড়ী, বাছ ইত্যাদিত যোৱা যাত্ৰীসকলৰ মাজত বা এখন ছাইবাৰ কাফেত জাতি পাৰ্থক্যতা কেতিয়াও বিষয় হ'ব নোৱাৰে অথবা জাতি পাৰ্থক্যতা নাহে। অন্যহাতে কিছুমান নতুন কাৰখানা বা কৰ্মক্ষেত্ৰত পুৰণি ধৰণৰ প্ৰভেদজ্ঞান থাকিব পাৰে। দেখা যায় যে বহুক্ষেত্ৰত সামাজিক অসমতা বহু পৰিমাণে কমি গৈছে, যদিও বৰ্তমান বিশ্বৰ বহু ঠাইত অৰ্থনৈতিক বা আয়ৰ অসমতা কিন্তু ক্ৰমশঃ বৃদ্ধি পাই আহিছে। প্ৰায়েই সামাজিক অসমতা আৰু আয়ৰ অসমতা উপৰাওপৰি হয়। উদাহৰণ স্বৰূপে যিবোৰ ঠাইত উচ্চ জাতিৰ প্ৰতিপত্তি আছে সেই ঠাইবোৰত আকৌ উচ্চ পৰিমাণৰ আয় আহৰণ কৰিব পৰা বৃত্তি যেনে - ডাক্তৰ, উকিল, সাংবাদিক ইত্যাদিও সেই উচ্চ জাতিৰ পুৰুষসকলে লাভ কৰে। আনহাতে একে বৃত্তিৰ বাবে বা একে কৰ্মৰ বাবে মহিলা সকলক পুৰুষতকৈ কম মজুৰি বা পাৰিশ্ৰমিক দিয়া হয়। প্ৰাৰম্ভিক পৰ্যায়ৰ সমাজতত্ত্ববিদ সকলে উদ্যোগীকৰণত সমাজৰ বাবে ধনাত্মক আৰু ঋণাত্মক দুয়োটা দিশেই আছে বুলি মত পোষণ কৰিছিল যদিও বিংশ শতিকাৰ মধ্যভাগৰ পৰা আধুনিকীকৰণ সিদ্ধান্তৰ প্ৰভাৱৰ যোগেদি,উদ্যোগীকৰণ হৈপৰিল সমাজৰ অতীৱ প্ৰয়োজনীয় আৰু যোগাত্মক প্ৰক্ৰিয়া। আধুনিকীকৰণ সিদ্ধান্তই মত পোষণ কৰে যে বিশ্বৰ বিভিন্ন সমাজ বিভিন্ন স্তৰত আধুনিকীকৰণৰ দিশত আগবাঢ়ি যায়। এই চিন্তাবিদ সকলৰ মতে প্ৰকৃত সমাজৰ ছবি পশ্চিমৰ সমাজত দেখা যায়।

### ক্ৰিয়া কলাপ-৫.১


Clark Kerr নামৰ এজন আধুনিকীকৰণ বিষয়ৰ চিন্তাবিদৰ মতে ২১ শতিকাত ভাৰতত যি উদ্যোগীকৰণ হৈছে, সেই উদ্যোগীকৰণৰ বৈশিষ্ট্য ভাৰতত হোৱা ১৯ শতিকাৰ উদ্যোগীকৰণৰ বৈশিষ্ট্যৰ লগত বিশেষ মিল নাই। কিন্তু এই মিল আছে আমেৰিকা আৰু চীনত ২১ শতিকাত হৈ থকা উদ্যোগীকৰণৰ বৈশিষ্ট্যৰ লগতহে। এই কথা তোমালোকে সত্য বুলি ভাৱানে? তোমালোকে এই কথাও ভাৱানে যে নতুন প্ৰযুক্তি বিদ্যাৰ আগমণত ভাৰতৰ সংস্কৃতি, ভাষা, পৰম্পৰাবোৰ লুপ্ত হৈছে নেকি? অথবা সংস্কৃতিয়ে মানুহক নতুন ধৰণৰ উৎপাদিত সামগ্ৰী ল'বলৈ উদগনি যোগাইছে নেকি? এই বিষয় বস্তুৰ ওপৰত তোমালোকৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা।

## ৫.২ ভাৰতবৰ্ষত উদ্যোগীকৰণ (Industrialisation in India)

ভাৰতবৰ্ষত হোৱা উদ্যোগীকৰণ পশ্চিমীয়া দেশসমূহৰ উদ্যোগীকৰণ আৰ্হিৰ লগত বহু দিশত মিল আছে যদিও বহু দিশত অমিলো পৰিলক্ষিত হয়। বিভিন্ন দেশৰ উদ্যোগীকৰণৰ মাজত কৰা তুলনামূলক অধ্যয়নে এই কথা উনুকিয়াই যে, ঔদ্যোগীক পুঁজিবাদৰ কোনো নিৰ্ধাৰিত মানদণ্ড বা আৰ্হি নাই।

মানুহে কৰা কামৰ ধৰণৰ ভিত্তিত আমি উন্নত দেশ তথা ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশৰ উদ্যোগীকৰণৰ মাজত পাৰ্থক্য দেখুৱাব পাৰোঁ।

আন্তৰাষ্ট্ৰীয় শ্ৰমিক সংঘ চমুকৈ '[ILO]' ৰ লেখ অনুসৰি উন্নত দেশসমূহৰ অধিকাংশ লোকেই চৰকাৰী চাকৰি কৰে আৰু ঠিক ইয়াৰ পিছতে উদ্যোগত নিয়োজিত লোকৰ সংখ্যা । উল্লেখযোগ্য যে, এই দেশসমূহৰ ১০% তকৈ কম সংখ্যক লোকহে কৃষিৰ লগত জড়িত। কিন্তু ভাৰতবৰ্ষত ইয়াৰ বিপৰীত দৃশ্যহে দেখা যায়। ভাৰত চৰকাৰৰ "অৰ্থনৈতিক জৰীপ ২০০১-২০০২" ৰ মতে ১৯৯৯-২০০০ চনত প্ৰায় ৬০ শতাংশ ভাৰতীয়লোক প্ৰাথমিক খণ্ড (যেনে- কৃষি, খনি ইত্যাদি) ত নিয়োজিত, ১৭ শতাংশ লোক নিয়োজিত হৈ আছে দ্বিতীয়ক খণ্ড (যেনে - উৎপাদন, নিৰ্মাণ ইত্যাদি) ত, আৰু ২৩ শতাংশ লোক তৃতীয়ক খণ্ড (যেনে - বাণিজ্য, পৰিবহণ, বিত্তীয় সেৱা ইত্যাদি) ত জড়িত। তদুপৰি, অৰ্থনৈতিক উন্নয়নলৈ এই খণ্ডসমূহৰ বৰঙণিৰ দিশলৈ যদি লক্ষ্য কৰা যায় তেন্তে দেখা যায় যে, চাকৰি খণ্ডৰ অৱদান প্ৰায় অৰ্ধাংশ হোৱাৰ পৰিবৰ্তে কৃষি আৰু অন্যান্য খণ্ডৰ অৱদান বহু পৰিমাণে কম। এইটো এটা নিশ্চিত ৰূপতেই গুৰুত্বপূৰ্ণ পৰিস্থিতি কিয়নো সৰ্বাধিক জনসংখ্যা নিয়োজিত হৈ থকা খণ্ডসমূহতেই উপযুক্ত আৰু আশানুৰূপ আয় হোৱা নাই। [Govt of India Economic Survey 2001-2002]




অৰ্থনীতিবিদ তথা আন আন ব্যক্তিসকলে সংগঠিত বা আনুষ্ঠানিক আৰু অসংগঠিত বা অনানুষ্ঠানিক খণ্ডৰ মাজত প্ৰায়ে পাৰ্থক্য দেখুৱায়। এই খণ্ডসমূহৰ সংজ্ঞা

কিদৰে নিৰূপণ কৰিব তাকলৈ সাধাৰণতে তৰ্কৰ  সৃষ্টি হয়। এক উল্লেখযোগ্য সংজ্ঞা অনুসৰি সংগঠিত খণ্ড গঠিত হয় প্ৰতিবছৰে দহটা বা তাতকৈ অধিক নিয়োগকাৰী গোটৰ দ্বাৰা। তদুপৰি এই গোটসমূহ চৰকাৰী পঞ্জীকৃত হ'ব লাগিব যাতে এইটো নিশ্চিত হৈ থাকে যে, গোটসমূহৰ শ্ৰমিকে উপযুক্ত মজুৰি, পেঞ্চন তথা আন আন সুবিধা পায়। কিন্তু যি ক্ষেত্ৰত, ভাৰতবৰ্ষৰ ৯০%তকৈ অধিক কাম  কৃষি, উদ্যোগ বা চাকৰিয়ে নহওক কিয়, অসংগঠিত বা অনানুষ্ঠানিক খণ্ডৰ লগত জড়িত; সেইক্ষেত্ৰত, এই ন্যুন্যতম আকাৰৰ সংগঠিত বা আনুষ্ঠানিক খণ্ডই কি কি সামাজিক আভাস দিয়ে?

প্ৰথমে ইয়াৰ কাৰণ এই যে অধিক সংখ্যক মানুহৰ বৃহৎ পামত নিয়োজিত হোৱাৰ অভিজ্ঞতা নাই  য'ত তেওঁলোকে অন্যান্য অঞ্চল বা পটভূমিৰ লোকক লগ পোৱাৰ সুবিধা  পায়। এই ক্ষেত্ৰত নগৰ স্থাপনে কিছু পৰিমাণে সলনি কৰিছে, য'ত তোমালোকৰ নগৰবাসী ওচৰ-চুবুৰীয়াসকল বিভিন্ন ঠাইৰ পৰা অহা হ'ব পাৰে; কিন্তু তথাপি বহু ভাৰতীয়ই এই পৰ্যন্ত ক্ষুদ্ৰ উদ্যোগসমূহতে কাম কৰে। ইয়াত ব্যক্তিগত সম্বন্ধই  নিৰ্ণয় কৰে কামৰ বিভিন্ন দিশ। যদি মালিক বা নিয়োগকৰ্তাই কোনো ব্যক্তিক ভাল পায়, তেন্তে তেখেতৰ মজুৰি বৃদ্ধি পাব পাৰে,আৰু যদি মালিকৰ বিৰুদ্ধে মাত মতা হয় বা বিৰোধিতা কৰা হয় তেন্তে ব্যক্তিজন চাকৰিৰ পৰা অপসাৰিত হোৱাৰ সম্ভাৱনাও থাকিব পাৰে। কিন্তু এই ব্যৱস্থা সুনিৰ্দিষ্ট নীতি থকা বৃহৎ সংগঠনৰ পৰা পৃথক। বৃহৎ সংগঠনসমূহত চাকৰিয়াল বা শ্ৰমিকসকলৰ নিয়োজন বেছি স্পষ্ট হয়, য'ত কোনো এজন শ্ৰমিক বা নিয়োজিত ব্যক্তিৰ তেওঁৰ জ্যেষ্ঠ প্ৰধান বা কাৰ্যবাহকৰ লগত যদি মতানৈক্য বা অসন্মতি সূচক পৰিস্থিতিৰ সৃষ্টি হ'লে সেই কৰ্মী বা ব্যক্তিজনে ইয়াৰ বিপৰীতে গোচৰ বা আৰ্হি  দিয়াৰ কৌশল আছে, যাৰ দ্বাৰা শ্ৰমিক বা  কৰ্মীয়ে মতানৈক্যৰ প্ৰতিকাৰ বা ক্ষতিপূৰণ  ল'ব পাৰে।

দ্বিতীয়তে, খুব কম সংখ্যক  ভাৰতীয়ৰহে লাভা- লাভৰ সৈতে জীৱিকাৰ নিৰাপত্তা দিয়াৰ ক্ষমতা আছে। এনে কৰ্মীৰ তিনিভাগৰ দুভাগেই দেশত চৰকাৰী  খণ্ডৰ কৰ্মী। সেয়েহে আমাৰ দেশত চৰকাৰী চাকৰিৰ জনপ্ৰিয়তা অধিক। বাকী থকা  কৰ্মীসকল বৃদ্ধ বয়সত তেওঁলোকৰ সতি-সন্ততিৰ  ওপৰত নিৰ্ভৰশীল হ'বলৈ বাধ্য হৈ পৰে। ভাৰতবৰ্ষৰ চৰকাৰী কৰ্মীসকলে জাতি,বৰ্ণ, ধৰ্ম আৰু অঞ্চলসমূহৰ মাজত থকা ভেদভাৱ নাইকিয়া কৰাত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এজন সমাজত  বিদে যুক্তি দৰ্শাইছে যে, ভিলাইৰ দৰে ঠাইত কিয় কেতিয়াও সাম্প্ৰদায়িক অশান্তিৰ  সৃষ্টি হোৱা নাই। তেখেতৰ মতে, ইয়াৰ কাৰণ হ'ল চৰকাৰী খণ্ডৰ Bhilai Steel Plant ৰ শ্ৰমিকসকল ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা অহা যি সকলে এই উদ্যোগত একেলগে কাম কৰে।  আন আন ব্যক্তিয়ে এই সন্দৰ্ভত বিভিন্ন প্ৰশ্ন কৰিব পাৰে।

তৃতীয়তে, যিহেতু অসংগঠিত খণ্ডৰ এটা  বৈশিষ্ট্য হ'ল নিচেই কম সংখ্যক

শ্ৰমিকহে শ্ৰমিক সংঘৰ সদস্য। (শ্ৰমিক সংঘৰ সদস্য হোৱাটো সংগঠিত খণ্ডৰ এটা বৈশিষ্ট্য) সেয়েহে এই খণ্ডৰ কৰ্মীসকল সংগঠিত হৈ নিৰ্দিষ্ট মজুৰি আৰু সুৰক্ষিত কামৰ পৰিস্থিতি বা চৰ্তৰ বিষয়ে যুঁজাৰ অভিজ্ঞতা নাথাকে। চৰকাৰৰ অসংগঠিত খণ্ডৰ পৰিস্থিতি তথা চৰ্তসমূহ নিয়ন্ত্ৰণ কৰাৰ নীতি আছে কিন্তু বাস্তৱক্ষেত্ৰত এই নীতিসমূহ গৰাকী আৰু ঠিকাদাৰৰ ইচ্ছা আৰু মই -মতালিত এৰি দিয়ে।

## স্বাধীন ভাৰতৰ আৰম্ভণিৰ বছৰবোৰত উদ্যোগীকৰণ (Industrialisation in the Early Years of Indian Independence)

ভাৰতবৰ্ষৰ প্ৰথম আধুনিক উদ্যোগবোৰ আছিল কপাহ, মৰাপাট, কয়লাৰ খনি আৰু ৰেল-পথ নিৰ্মাণ। স্বাধীনতাৰ সময়ত চৰকাৰে অৰ্থনীতিৰ এক প্ৰভাৱশালী বিকাশৰ দায়িত্ব লয়। এই ব্যৱস্থাত অন্তৰ্ভুক্ত হয় বিভিন্ন আঁচনিৰ যেনে প্ৰতিৰক্ষা, পৰিবহণ আৰু যোগাযোগ, শক্তি, খনি আৰু অন্যান্য। এই আঁচনিবোৰত চৰকাৰৰ ক্ষমতা সাব্যস্ত কৰা হয়, যদিও প্ৰয়োজনীয় ব্যক্তিগত তথা বেচৰকাৰী শিল্প-উদ্যোগৰ বিকাশৰো ব্যৱস্থা হাতত লয়। ভাৰতীয় মিশ্ৰ অৰ্থনীতি ব্যৱস্থাত কিছুমান খণ্ড চৰকাৰৰ ওপৰত ন্যস্ত কৰা হৈছিল আৰু আন কিছুমান বেচৰকাৰী খণ্ডৰ বাবে মুকলি কৰি ৰখা হৈছিল। কিন্তু তাৰ মাজতে অনুজ্ঞাপত্ৰৰ ব্যৱস্থাৰদ্বাৰা শিল্প উদ্যোগসমূহ বিভিন্ন অঞ্চলত বিস্তাৰিত হোৱাতো নিশ্চিত কৰিবলৈ চৰকাৰে চেষ্টা কৰিছিল। স্বাধীনতাৰ আগতে, উদ্যোগসমূহ বন্দৰ নগৰী (Port city) যেনে মাদ্ৰাজ, মুম্বাই, কলিকতা আদি নগৰ সমূহতহে অৱস্থিত আছিল। কিন্তু তেতিয়াৰেপৰা আমি দেখা পাওঁ যে বৰোদা, কোইম্বাটোৰ , বাংগালোৰ, পুনা, ফৰিদাবাদ আৰু ৰাজকোট প্ৰধান ঔদ্যোগিক ক্ষেত্ৰলৈ ৰূপান্তৰিত হ'ল। চৰকাৰে বিশেষ সাহায্য তথা সহায় আগবঢ়াই ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ ক্ষেত্ৰতো উৎসাহিত কৰাৰ চেষ্টা কৰিছিল। বহুতো বস্তু যেনে কাগজ আৰু কাঠৰ দ্বাৰা উৎপাদিত বস্তু, কলম, পেঞ্চিল আদি নিত্য ব্যৱহাৰ্য্য (Stationery) বস্তু ,কাচ, বাচন-বৰ্তন আদি ক্ষুদ্ৰ কুটীৰ শিল্প-খণ্ডৰ বাবে সংৰক্ষিত আছিল। ১৯৯১ চনত মুঠ কৰ্ম শক্তিৰ ২৮ শতাংশহে বৃহৎ উদ্যোগসমূহত নিয়োজিত হৈছিল, যি ক্ষেত্ৰত ক্ষুদ্ৰ উদ্যোগ আৰু পৰম্পৰাগত শিল্পসমূহত ৭২ শতাংশ কৰ্ম শক্তিয়ে নিয়োজিত আছিল। (ৰয় ঃ ২০০১-১১)

## ভাৰতীয় উদ্যোগত গোলকীকৰণ, উদাৰীকৰণ আৰু পৰিবৰ্ত্তন (Globalisation, Liberalisation and Change in Indian Industry)

১৯৯০ চনৰ পৰা চৰকাৰে সাম্যবাদী নীতি অবলম্বন কৰিছিল। এই নীতি অনুসৰি সংযোগ মাধ্যম, অসামৰিক বিমান সেৱা, শক্তি আদিকে ধৰি চৰকাৰৰ সংৰক্ষিত খণ্ডতো ব্যক্তিগত কোম্পানীসমূহ বিশেষকৈ বিদেশী কোম্পানীসমূহকো বিনিয়োগ কৰিবলৈ

উৎসাহিত কৰা হৈছে। এই ব্যৱস্থাত উদ্যোগসমূহৰ বাবে আৰু অনুজ্ঞাপত্ৰৰ ব্যৱস্থাৰ প্ৰয়োজনীয়তা কমি আহিল। এতিয়া বিদেশী সামগ্ৰীৰ প্ৰাদুৰ্ভাৱ ভাৰতৰ প্ৰতিখন দোকান-বজাৰতে দেখা যায়। সাম্যবাদী নীতিৰ ফলত বহুজাতিক কোম্পানীসমূহে ভাৰতীয় প্ৰায়বোৰ কোম্পানীকে ক্ৰয় কৰি লয়। সেই সময়তে ভাৰতীয় কেইবাটাও কোম্পানী বহুৰাষ্ট্ৰীয় কোম্পানীলৈ উন্নীত হয়। ইয়াৰ এটা উদাহৰণ হিচাপে ক'কাকোলা কোম্পানীয়ে পাৰ্লি পানীয় কোম্পানীক (Parle drinks) কিনি লোৱাৰ কথা ক'ব পাৰি। য'ত (Parle) কোম্পানীৰ বছৰেকীয়া আয় আছিল ২৫০ কোটি টকা, সেই সময়ত ক'কাকোলাৰ কেৱল বিজ্ঞাপন খৰচেই আছিল ৪০০ কোটি টকা। এই পৰ্যায়ৰ বিজ্ঞাপনে স্বাভাৱিকতে ভাৰতীয় বহুতো পানীয়ৰ বিক্ৰী চেৰ পেলাই ক'কাকোলাৰ বিক্ৰী বৃদ্ধি কৰিছিল। সাম্যবাদৰ ইয়াৰ পিছৰ পৰিসীমা হ'ব পাৰে খুচুৰা বিক্ৰীত। ইয়াৰ পৰা এইটো ভাবিব পাৰি নেকি যে, ভাৰতীয়সকলে বিভাগীয় দোকান বা বজাৰতে (Departmental store) সামগ্ৰীসমূহ ক্ৰয় কৰিবলৈ পছন্দ কৰিব বা তেওঁলোক ব্যৱসায়ৰ পৰা বাহিৰলৈ ওলাই আহিব নেকি?


**বন্ধনী ৫.১**

ভাৰত চৰকাৰে কোনো বিদেশী ব্যৱসায়িক গোটক দেশৰ বজাৰ অৰ্থনীতিত প্ৰত্যক্ষভাৱে প্ৰৱেশ কৰি পাইকাৰী বজাৰত বিনিয়োগ কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰি যোৱা স্বত্বেও এসময়ত(Wall mart,carrefour,Tesco), ইত্যাদি বিশ্বৰ কেইটামান বৃহৎ ব্যৱসায়িক গোটে ভাৰতৰ বজাৰত প্ৰৱেশ কৰাৰ যত্ন ক ৰিছিল। তৎসত্বেও শেহতীয়াকৈ (Reliance Industries, Bharti Airtel), ইত্যাদিৰ দৰে ভাৰতীয় বৃহৎ ব্যৱসায়িক গোটেও ভাৰতৰ বজাৰত বিদেশী খুচুৰা ব্যৱসায়িক গোষ্ঠীয়ে ব্যৱসায় কৰাটো জৰুৰী বুলি গণ্য কৰিছে। শেহতীয়াকৈ, (Bharti), নামৰ ব্যৱসায়িকগোষ্ঠীয়ে প্ৰকাশ কৰিছে যে, ভাৰতীয় ব্যৱসাযিক গোষ্ঠীৰ লগত সংযুক্ত হৈ বিদেশী ব্যৱসায়িক গোষ্ঠীয়ে ভাৰতৰ বজাৰত যুগ্ম ভাৱে ব্যৱসায় কৰাৰ সম্পৰ্কত তেওঁলোকে (Wall Capart, Carrefour, Tesco) ইত্যাদি গোষ্ঠীৰ লগত কথা পাতিছে। এইখিনিতে উল্লেখনীয় যে ভাৰতীয় পাইকাৰী খণ্ডটিৰ আকৰ্ষণৰ কাৰণ ইয়াৰ ক্ষিপ্ৰ উন্নয়ন নহয়, বৰঞ্চ দেশৰ বহু পৰিয়ালে ৰাষ্টাই-ঘাটে, নগৰ-চহৰৰ গলিয়ে গলিয়ে সৰু দোকান দি দেশৰ ব্যৱসায়ৰ ৯৭% অধিকাৰ কৰা কথাটিৰ বাবেহে ই আকৰ্ষিত হৈ আহিছে। সেয়ে চৰকাৰে এই ব্যৱসায়িক ধাৰাটো সঠিক ভাৱে আগবাঢ়ি যাবৰ বাবেই ইয়াৰ বজাৰত বিদেশী ব্যৱসায়িক গোষ্ঠী প্ৰৱেশৰ ক্ষেত্ৰত কঠোৰ স্থিতি লৈছিল। বহু ৰাজনীতিকে দাবী কৰি আহিছে যে বিশ্বৰ ভিন্ন দেশত ব্যৱসায়ৰ পাতনি মেলা গোষ্ঠীবোৰ ভাৰতত প্ৰৱেশ কৰিলে ভাৰতৰ সৰু দোকান ব্যৱসায় আৰু দেশীয় ব্যৱসায়ীবোৰ ধ্বংস হৈ যাব।
উৎস ঃ (%International Herald tribune,3 August,2006)

চৰকাৰে চৰকাৰী খণ্ডৰ অংশ (Share) ভিন্ন বেচৰকাৰী খণ্ডৰ কোম্পানীসমূহক বিক্ৰী কৰাৰ চেষ্টা কৰিছে। এই প্ৰচেষ্টাক বিনিয়োগ বুলি জনা যায়। এই প্ৰচেষ্টাত বহুতো চৰকাৰী কৰ্মীয়ে ভয় কৰে যে, এনে বিনিয়োগৰ ফলত তেওঁলোকে নিজৰ চাকৰি হেৰুৱাব পাৰে। কম মূল্যত স্বাস্থ্যকৰ খাদ্য প্ৰস্তুতৰ বাবে আধুনিক খাদ্যসম্ভাৰ হিচাপে সজাই তুলিবলৈ চৰকাৰে যিটো কোম্পানীক প্ৰথমে বেচৰকাৰীকৰণ কৰিছিল, সেই কোম্পানীটোৰ পৰাই প্ৰথম পাঁচ বছৰত ৬০% শ্ৰমিকেই অৱসৰ ল'বলৈ জোৰ দিছিল।

এতিয়া চোৱা যাওক কেনেকৈ এই কোম্পানীসমূহে বিশ্বব্যাপী গতিধাৰা বজাই ৰাখিছে। অধিক সংখ্যক কোম্পানীয়ে নিজৰ স্থায়ী শ্ৰমিকৰ সংখ্যা হ্ৰাস কৰিছে আৰু সিহঁতৰ অধিকাংশ কামেই বাহিৰা উৎসৰ পৰা আদায় কৰিছে। এই কোম্পানীবোৰে সিহঁতৰ কামবোৰ ক্ষুদ্ৰ-উদ্যোগ আনকি ঘৰে-ঘৰে কৰোৱাৰ ব্যৱস্থা কৰিছে। বহুজাতিক কোম্পানীবোৰৰ কাৰণে এই বাহিৰৰ পৰা আদায় কৰা শ্ৰম তথা সামগ্ৰী সমগ্ৰ বিশ্বজুৰি যোগান ধৰা হয়; আৰু এই যোগান সাধাৰণতেই হয় ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহৰ পৰা। এই দেশসমূহে কম মজুৰিৰ শ্ৰমিকৰ যোগান ধৰে। কাৰণ সৰু কোম্পানী বা ক্ষুদ্ৰ উদ্যোগসমূহে বৃহৎ উদ্যোগসমূহৰ পৰা অহা আদেশৰ লগত প্ৰতিযোগিতা কৰিব লগীয়া হয়, সেয়েহে এই উদ্যোগসমূহে কম মজুৰিৰ শ্ৰমিক ৰাখিব লগীয়া হয় আৰু ইয়াত কামৰ সুবিধাসমূহো নিম্নমানৰ হয়। সৰু সৰু পাম বা কোম্পানীৰ শ্ৰমিকসকল সংগঠিত কৰাতো শ্ৰমিক সংঘ (Trade Union) ৰ কাৰণে বৰ কষ্টকৰ। বৰ্তমান প্ৰায়বোৰ কোম্পানী তথা চৰকাৰী খণ্ড এই বাহিৰৰ পৰা কাম আদায় কৰা আৰু ঠিকাত দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু এই প্ৰক্ৰিয়া বিশেষকৈ বেচৰকাৰী খণ্ডতহে স্পষ্টকৈ দেখা যায়।

সংক্ষেপে ক'বলৈ গ'লে এতিয়াও ভাৰতবৰ্ষ মূলত এখন কৃষি প্ৰধান দেশ। সেৱা খণ্ডত (service Sector), যেনে দোকান, বেংক, (IT) উদ্যোগ, হোটেল আৰু আন আন সেৱাসমূহতে অধিক লোক নিয়োজিত হৈ আছে আৰু নগৰীয়া মধ্যবিত্ত শ্ৰেণী বাঢ়ি আহিছে। মধ্যবিত্ত শ্ৰেণীৰ লগতে এই সেৱাসমূহত নিয়োজিত ব্যক্তিসকলেই আমি দূৰদৰ্শনত দেখা ধাৰাবাহিক, বোলছবি আদিক মূল্য দিয়ে। কিন্তু আমি আকৌ দেখা পাওঁ যে, খুব কম সংখ্যক ভাৰতীয়ইহে নিশ্চিত চাকৰি পাবলৈ সক্ষম হৈছে। আনকি সংখ্যাত কম নিয়মীয়া দৰমহা পোৱা চাকৰিয়ালসকলো বন্দোবস্তি শ্ৰমৰ বৃদ্ধিৰ বাবে নিজৰ চাকৰিৰ নিৰাপত্তাহীনতাত ভূগিছে। যিমানদূৰ দেখা যায়, চৰকাৰী-চাকৰিসমূহ জনকল্যাণমুখী কাম-কাজ বৃদ্ধি কৰাৰ এক প্ৰধান পথ আছিল, কিন্তু বৰ্তমান চৰকাৰী খণ্ডত কাম কৰা ব্যক্তিসকলৰ জীৱনধাৰণৰ মান কমিবলৈ ধৰিছে। কিছু অৰ্থনীতিবিদৰ মাজত বাদানুবাদ হৈছে যে, বিশ্বজুৰি উপাৰ্জন অসমতাৰ কাৰণৰ লগত সাম্যবাদী নীতি




আৰু বেচৰকাৰীকৰণ জড়িত হৈ আছে। এই সম্পৰ্কে পিছৰ গোলকীকৰণৰ অধ্যায়ত বহলকৈ আলোচনা কৰা হৈছে।

উল্লেখ্য যে যি সময়তে আকৌ বৃহৎ উদ্যোগত নিয়োগৰ সুৰক্ষা নোহোৱা হৈছিল, সেই সময়তে চৰকাৰে উদ্যোগ স্থাপনৰ বাবে এক নীতি গ্ৰহণ কৰিছিল। এই উদ্যোগবোৰে দাঁতি কাষৰীয়া অঞ্চলৰ মানুহক নিয়োগৰ সুবিধা প্ৰদান নকৰি প্ৰদুষণহে সৃষ্টি কৰিলে। বহুতো কৃষক বিশেষকৈ উদ্যোগ স্থাপনৰ বাবে স্থানান্তৰিত হোৱা লোকৰ প্ৰায় চল্লিশ শতাংশ আদিবাসীক খুব কম পৰিমাণৰ ক্ষতিপূৰণ দিয়া হৈছিল। ইয়াৰ বাবেই তেওঁলোকে সাময়িক শ্ৰমিক আৰু ভাৰতৰ ডাঙৰ নগৰবোৰৰ পদপথত কাম কৰিবলৈ বাধ্য হৈছিল। এই সম্পৰ্কীয় কিছু কথা ইতিপূৰ্বে ৩ (১১) অধ্যায়ত আলোচনা কৰা কথাখিনি মনত পেলোৱা।

তলৰ খণ্ডটিত আমি মানুহে কেনেকৈ চাকৰি বিচাৰে, কৰ্মক্ষেত্ৰত কেনে ধৰণে কাম কৰে আৰু কেনে ধৰণৰ কৰ্ম সংক্ৰান্তীয় পৰিস্থিতিৰ সন্মুখীন হয় তাৰ বিষয়ে আলোচনা কৰিম।

## ৫.৩ মানুহে কেনেদৰে চাকৰি পায় (How People Find Job)

যদি তুমি বুধবাৰৰ ৰাতিপুৱা এটাত Times of India খন মেলি চোৱা, তুমি তাত Times Ascent শিৰোনামাৰে এটা ভাগ দেখিবা,য'ত দিয়া থাকিব চাকৰিৰ বিজ্ঞাপন আৰু তোমাক অথবা তোমাৰ কৰ্মীসকলক কোনো কামত ভাল পাৰদৰ্শিতা দেখুৱাবৰ বাবে মনত আকাঙ্খা জগোৱাৰ কিছুমান কিটিপ।

পিছৰ পৃষ্ঠাত দেখুওৱা হৈছে এটা ৰাজহুৱা খণ্ডৰ উদাহৰণ। তাত ব্যক্তিজনে ঘৰ ভাড়াৰ দৰে সুবিধা লাভ কৰিব পাৰে কিন্তু তেনে চাকৰিৰ বাবে বিশেষ অৰ্হতাৰ প্ৰয়োজন। এনে চাকৰিত পদোন্নতিৰ সুবিধা আছে আৰু এনেক্ষেত্ৰত অভিজ্ঞতাই প্ৰাধান্য পায়।

এতিয়া আমি পিছৰ পৃষ্ঠাৰ ৫.৩ নং বন্ধনীত দিয়া ব্যক্তিগত খণ্ডৰ চাকৰিলৈ চাওঁ এইটোও নিয়মীয়া দৰমহাৰ নিযুক্তিকৰণ আৰু নিযুক্তিকাৰী সকল এখন বিখ্যাত হোটেল। কিন্তু ইয়াত দৰমহা আৰু অৰ্হতাৰ ক্ষেত্ৰত কিছু শিথিলতা আছে আৰু চাকৰিটো এই ক্ষেত্ৰত ঠিকা ভিত্তিক। বিজ্ঞাপনত ব্যৱহৃত ভাষা মন কৰা। প্ৰত্যেক প্ৰতিষ্ঠানে নিজৰ কৰ্ম-সংস্কৃতি গঢ় দিবলৈ যত্ন কৰে।

**বন্ধনী ৫.২**

দয়াল সিং মহাবিদ্যালয়
(দিল্লী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত)
লোডি ৰ'ড, নতুন দিল্লী-১১০০০৩

অধ্যক্ষ পদৰ বাবে আবেদন বিচৰা হৈছে। দৰমহা- ১৬,৪০০-২২,৪০০ (লগতে প্ৰতিমাহৰ ন্যূনতম ১৭.৩০০ টকা) লগতে দিল্লী বিশ্ববিদ্যালয়ৰ নিয়ম অনুসৰি DA,CCA,HRA,TA আৰু অন্যান্য সুবিধা।

**অৰ্হতাঃ-**

১) কোনো বিষয়ত নিম্নতম ৫৫% নম্বৰসহ স্নাতকোত্তৰ ডিগ্ৰী অথবা ইয়াৰ সমতুল্য B গ্ৰেড।
২) Ph.D. অথবা সমতুল্য ডিগ্ৰী।
৩) শিক্ষকতাৰ অভিজ্ঞতা ১৫ বছৰ হ'ব লাগিব অথবা বিশ্ববিদ্যালয় , মহাবিদ্যালয় বা কোনো উচ্চ শিক্ষানুষ্ঠানত Post Doctoral Research বা ডক্তৰেট ডিগ্ৰীৰ পাছৰ গবেষণা কৰিব লাগিব। বন্ধ খামত আবেদনৰ লগত শিক্ষাগত অৰ্হতা, অভিজ্ঞতা, বয়স আদিৰ সম্পূৰ্ণ বিৱৰণৰ প্ৰয়োজনীয় নথি-পত্ৰ গাঁঠি দি বিজ্ঞাপন প্ৰকাশ হোৱাৰ ১৫ দিনৰ ভিতৰত তলৰ ঠিকনাত পোৱাকৈ পঠাবলৈ আহ্বান কৰা হ'ল।

“The Chairman, Governing Body, Dyal Singh College, Lodi Road, New Delhi - 110003”

**বন্ধনী ৫.৩**

দিল্লী ৰেডিচন হোটেলে নিজৰ কেইটামান কাৰ্যব্যৱস্থাৰ বাবে দুটামান পদ মুকলি কৰিছে। সেয়া হ'ল Customer Service Executive আৰু Senior Tele-Sales Executive.

ইয়াৰ বাবে ইংৰাজী ভাষাৰ ওপৰত ভাল দক্ষতা থকা আৰু সামগ্ৰী বিক্ৰীৰ প্ৰয়াস কৰা হ'ব লাগিব। লগতে এই ক্ষেত্ৰত পূৰ্ব অভিজ্ঞতা থকা ব্যক্তিক অগ্ৰাধিকাৰ দিয়া হ'ব।

ইয়াৰ বাবে আমি পঞ্চতাৰকা যুক্তৰ দৰে কৰ্মস্থলীৰ পৰিৱেশ দিয়া হোৱাৰ লগতে তেওঁলোকৰ কাৰ্য দক্ষতা উন্নতিৰ বাবে প্ৰশিক্ষণ আৰু সুচল পৰিবেশ দিয়া হ'ব। এই কাম দিনৰ ভাগত কৰিব লাগিব যাৰ বাবে উচিত পাৰিশ্ৰমিক প্ৰদান কৰা হ'ব। লগতে অৰ্দ্ধকালীন আৰু পূৰ্ণকালীন কামৰ সুবিধা থাকিব।

অনুগ্ৰহ কৰি ইয়াৰ বাবে পূৰা ৯.৩০ ৰ পৰা সন্ধ্যা ৬.৩০ ৰ ভিতৰত যোগাযোগ কৰিব পাৰিব। যোগাযোগ কৰাৰ তাৰিখ ৩০,৩১ আগষ্ট আৰু ১ ছেপ্তেম্বৰ ২০০৬

ফোন নং ৬৬৪০৭৩৬১/৬৬৪০৭৩৫১/৬৬৪০৭৩৫৩

বা নিজৰ বায়দাতা CV ২৬৭৭৯০৬২ নম্বৰলৈ ফেক্স কৰিব বা (E-mail) যোগে পঠাব পাৰে

E-mail:memberhelpdesk@radisssondel.com ]

কিন্তু দেখা যায় যে, বৰ কম সংখ্যক লোকেহে বিজ্ঞাপন আৰু নিয়োগ বিনিয়োগ কেন্দ্ৰৰ জৰিয়তে চাকৰি পাবলৈ সক্ষম হয়। যিসকল ব্যক্তি স্বনিয়োজিত, যেনে- এপিনে পাইপ মিস্ত্ৰী, ইলেকট্ৰিচিয়ান আৰু কাঠ মিস্ত্ৰীসকল আৰু আনপিনে ব্যক্তিগতভাৱে পাঠদান কৰা শিক্ষক, স্থপতি আৰু অসংযুক্ত আলোক চিত্ৰগ্ৰহণকাৰী (free-lance photographer) আদি সকলো লোক ব্যক্তিগত যোগাযোগৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকে আশা কৰে যে, তেওঁলোকৰ কৰ্মই তেওঁলোকৰ বাবে বিজ্ঞাপন হওঁক। অৱশ্যে ম'বাইল ফোন ব্যৱস্থাইও তেওঁলোকক বহু পৰিমাণে এই ক্ষেত্ৰত সহায় কৰিছে।

কাৰখানাত বনুৱা নিযুক্তিৰ প্ৰক্ৰিয়াটো কিছু অন্য ধৰণৰ হয়। আগতে বহুতো বনুৱাই / শ্ৰমিকে ঠিকাদাৰ বা দালালৰ যোগে নিযুক্তি লাভ কৰিছিল। এনে ধৰণৰ দালালক কানপুৰ টেক্সটাইল মিলত মিস্ত্ৰী ৰূপে জনা যায়। এই মিস্ত্ৰীসকল নিজেও বনুৱা। এওঁলোক অন্যান্য বনুৱাৰ সৈতে একেটা অঞ্চলৰপৰা অহা আৰু একে সম্প্ৰদায়ৰ। কিন্তু মালিকৰ সমৰ্থন থকাৰ বাবে এওঁলোক আন বনুৱাৰ ওপৰত প্ৰভুত্ব খটুৱায়। অন্যহাতে মিস্ত্ৰীসকলে একে সম্প্ৰদায়ৰ বনুৱা নিয়োজনৰ ওপৰত হেঁচা প্ৰয়োগ কৰে। আজিকালি তেনে দালালসকলৰ গুৰুত্ব কমি আহিছে আৰু দেখা গৈছে যে ব্যৱস্থাপনা (Managment) আৰু শ্ৰমিক সংঘ (Union) দুয়োটাই কাৰখানাবোৰত তেওঁলোকৰ নিজা সম্প্ৰদায় বা নিজৰ মনৰ পছন্দৰ ব্যক্তিক নিয়োজিত কৰাত গুৰুত্ব প্ৰদান কৰে।

বহুতো শ্ৰমিকে তেওঁলোকে কৰি থকা কাম পাছলৈ তেওঁলোকৰ সন্তানৰ হাতলৈ যোৱাটো আশা কৰে। বহু কাৰখানাত নিয়মীয়া স্থায়ী শ্ৰমিক ছুটিত গ'লে তেওঁলোকৰ ঠাইত অন্য লোকক নিযুক্তি কৰা হয়। প্ৰকৃততে এইসকলৰ বেছিসংখ্যকেই বহু বছৰৰপৰা

একেটা কোম্পানীতে এই ধৰণে কাম কৰি আহিছে। কিন্তু তথাপিও এওঁলোকে নিয়মীয়া কৰ্মচাৰীৰ সমমৰ্যাদা আৰু নিশ্চয়তা নাপায়। সংগঠিত খণ্ডত ইয়াকে কোৱা হয় ঠিকা ভিত্তিক কাম। যি কি নহওক নিৰ্মাণস্থলী আৰু ইটা ভাটাত সাময়িক বনুৱাক কামত লগোৱা ঠিকাভিত্তিক ব্যৱস্থাৰ বহুল ব্যৱহাৰ দেখা যায়। ঠিকাদাৰসকলে গাঁৱলৈ গৈ গাঁৱৰ লোকসকলে কাম বিচাৰে নেকি বুলি প্ৰশ্ন কৰে আৰু কামৰ নিৰ্দ্দিষ্ট ঠাইলৈ যাবৰ বাবে খৰচ হোৱা গাড়ীৰ ভাড়াৰ বাবদ অলপ পইচা ঋণ দিয়ে। সেই ঋণৰ পইচা আগধন হিচাপে ব্যৱহাৰ কৰি বনুৱাসকলে সেই পইচা পৰিশোধ নকৰাকৈ বিনা চৰ্তত কাম কৰিব লাগিব। আগৰ কালত মাটিৰ গৰাকীসকলে বনুৱাসকলক এনেদৰে ধাৰ দি বান্ধি ৰাখিছিল। যি কি নহওক এতিয়া কাৰখানাৰ ঠিকাভিত্তিক কামত আত্মনিয়োগ কৰাত বনুৱাসকলৰ ঠিকাদাৰৰ ওচৰত অন্য কোনো সামাজিক দায়বদ্ধতা নাথাকে। আন অৰ্থত তেওঁলোক কাৰখানাৰ কামত আগতকৈ মুক্ত। তেওঁলোকে ইচ্ছা কৰিলে চুক্তি ভাঙি অন্য কৰ্মসংস্থান বিচাৰিব পাৰে। বহুসময়য়ত গোটেই পৰিয়ালটোৱে স্থানান্তৰ হয় আৰু ল'ৰা-ছোৱালীয়ে তেওঁলোকৰ অভিভাৱকক সহায় কৰে।

**বন্ধনী ৫.৪**



দক্ষিণ গুজৰাটৰ ইটাভাটাত থকা শ্ৰমিকৰ দল

বছৰৰ ঋতু অনুসৰি প্ৰায় ৩০,০০০-৪০,০০০ বনুৱাই ইয়াত নিযুক্তি লাভ কৰে। পাৰ্চী বা দেশাইৰ দৰে উচ্চ জাতিৰ ব্যক্তিসকলেই আছিল এনে ইটা ভাটাৰ মালিক। কুমাৰ জাতিৰ লোকসকলেও তেওঁলোকৰ পৰম্পৰাগত মৃৎশিল্প সম্প্ৰসাৰণৰ ক্ষেত্ৰ হিচাপে ইটাৰ ভাটা আহৰণ কৰিবলৈ লৈছে। বনুৱাসকল সাধাৰণতে স্থানীয় বা প্ৰব্ৰজন হোৱা দলিত সম্প্ৰদায়ৰ লোক। তেওঁলোকক নজনীয়াৰপৰা এঘাৰজনীয়া দল হিচাপে ঠিকাদাৰৰ দ্বাৰা নিযুক্তি দিয়া হয়। যেতিয়া পুৰুষ বনুৱাবোৰে বোকাবোৰ খচি ইটাৰ গঢ় দিয়ে, তেতিয়া সৰু সৰু ল'ৰা-ছোৱালীবোৰে যি ঠাইত ইটাবোৰ শুকুওৱা হয় সেই ঠাইলৈ এটুকুৰাকৈ দুটা কঢ়িয়াই নিয়ে। মহিলা আৰু ছোৱালীৰ একোটা গোটে সেই শুকান ইটাবোৰ ভাটিলৈ কঢ়িয়াই লৈ যায় য'ত পুৰুষসকলে ইটাবোৰ জুইত দিয়ে আৰু তাৰপৰা পুনৰ

ট্ৰাকত বোজাই কৰিবলৈ নিয়ে। প্ৰত্যেকটো বনুৱাৰ দলে ২৫০০-৩০০০ ইটা এদিনত তৈয়াৰ কৰিব পাৰে। এটা খৰতকীয়া বনুৱাৰ দলে সিমান সংখ্যক ইটা ১০ ঘন্টাত শেষ কৰে ত'ত এটা লেহেমীয়া বনুৱাৰ দলে শেষ কৰিবলৈ সময় লয় ১৪ ঘন্টা। ৬ বছৰ বয়সৰ পৰা শিশুবোৰে ৰাতিৰ সময়ছোৱাত কেঁচা ইটাবোৰ কঢ়িওৱা কাম কৰে যিবোৰ সিহঁতৰ অভিভাৱকে তৈয়াৰ কৰে। শুকুৱালৈকে ইটাবোৰৰ ওজন হয় প্ৰায় তিনি কেজি। সৰু ল'ৰা-ছোৱালীবোৰৰ প্ৰত্যেকে এটুকুৰাকৈ ইটা কঢ়িয়ায়। যেতিয়া সিহঁতৰ বয়স ৯ বছৰ হয়গৈ, সিহঁতক দুটুকুৰাকৈ ইটা কঢ়িয়াবলৈ অনুমতি দিয়া হয়। সমাজতত্ত্ববিদ Jan Breman এ কৈছে যে, কেতিয়াবা সিহঁতৰ অভিভাৱকে সিহঁতৰ ফটাকানিৰ বিচনাৰ পৰা চিঞৰি উঠাই আনে।

## ৫.৪ কামবোৰ কেনেদৰে সম্পাদন কৰা হয়? (How is Work Carried Out?)

এই অংশত আমি প্ৰকৃতপক্ষে কেনেকৈ এটা কামে নিজ অৱস্থান গ্ৰহণ কৰে সেই বিষয়ে অনুসন্ধান কৰিম। আমাৰ চৌপাশে থকা সকলোবোৰ বস্তুৱে নিৰ্মাণ কৰানে?

### ক্ৰিয়াকলাপ ৫.২

মহাত্মা গান্ধীয়ে ১৯২৪ চনত “হিন্দ স্বৰাজ”ত যন্ত্ৰৰ বহুল ব্যৱহাৰৰ ক্ষেত্ৰত মত প্ৰকাশ কৰিছিল যেঃ “মই যন্ত্ৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত মানুহৰ যি ভ্ৰম হৈছে সেই ভ্ৰমৰ বিপক্ষে আপত্তি কৰিছো। এই ভ্ৰম হ'ল যন্ত্ৰই শ্ৰমৰ লাঘৱ কৰিছে। কিন্তু শ্ৰম ইমানেই লাঘৱ কৰিছে যে যাৰ যোগেদি হাজাৰ হাজাৰ জন শ্ৰমিক শ্ৰমহীন আৰু ভোকাতুৰ মৃত্যুৰ মুখত পৰিছে। মই শ্ৰম আৰু সময় দুয়োটাকে বচাব বিচাৰো কিন্তু অকল কিছুসংখ্যক মানুহৰ বাবে নহয়, সকলোৰে বাবে। মই কেৱল কিছুসংখ্যকৰ হাতত সম্পত্তি থকাটো নিবিচাৰো, কিন্তু বিচাৰো সকলোৱেই সম্পত্তিৰ গৰাকী হওঁক।”

১৯৩৪ চনত পুনৰ কলে “যেতিয়া আমি ৰাষ্ট্ৰৰ হৈ যঁত্ৰ ঘূৰালো তেতিয়া আমি কেৱল নিয়োগহীনতাকে সমাধান নকৰিলো, কিন্তু আমি দৃঢ়তাৰে ক'লো যে কোনো ৰাষ্ট্ৰিক শোষণ কৰা আমাৰ উদ্দেশ্য নহয়, ইয়াৰ লগতে ধনীৰ দ্বাৰা দৰিদ্ৰসকলৰ শোষণ সমাপ্তি কৰিলো।” যন্ত্ৰৰ ব্যৱহাৰৰ ফলত শ্ৰমিকে সন্মুখীন হোৱা সমস্যাবোৰৰ পৰা এটা উদাহৰণ দিয়া। যন্ত্ৰৰ ব্যৱহাৰৰ বিপক্ষে কেনে ধৰণৰ বিকল্পৰ কথা গান্ধীয়ে ভাৱিছিল? যঁতৰৰ ব্যৱহাৰে কেনেধৰণে শোষণ ৰোধ কৰিব পাৰিছিল আলোচনা কৰা।



এটা কাৰ্যালয় বা কাৰখানাৰ কাৰ্যনিৰ্বাহিক আৰু বনুৱাৰ মাজৰ সম্পৰ্ক কি? ভাৰতবৰ্ষত ডাঙৰ ডাঙৰ কোম্পানীৰ পৰা সৰু সৰু কাৰখানালৈকে কৰ্মসংস্কৃতিৰ এক বিৰাট পাৰ্থক্য দেখা যায়। এজন পৰিচালক বা মেনেজাৰৰ প্ৰাথমিক কাম হ'ল তেওঁৰ কৰ্মাচাৰীসকলৰ ওপৰত নিয়ন্ত্ৰণ ৰখা আৰু তেওঁলোকৰ পৰা পাৰ্যমানে কাম আদায় কৰা। বনুৱাসকলৰ পৰা সৰ্বাধিক কাম আদায় কৰাৰ দুটা পথ আছে। এটা হ'ল কামৰ সময় বৃদ্ধি কৰা আৰু আনটো হ'ল- এক নিৰ্দ্দিষ্ট সময়ত নিৰ্ধাৰিত উৎপাদন ক্ষমতা বৃদ্ধি কৰা। উল্লেখ্য যে মেচিনে উৎপাদন বৃদ্ধি কৰে, কিন্তু অন্যহাতে মেচিনৰ বৰ্ধিত ব্যৱহাৰে মানুহৰ প্ৰয়োজন সীমিত কৰে? কাৰ্লমাৰ্ক্স আৰু মহাত্মা গান্ধী দুয়োৰে বনুৱাৰ নিয়োগৰ ক্ষেত্ৰত মেচিনে অনা বিপদ প্ৰত্যক্ষ কৰিছিল।


উৎপাদন কৰাৰ আন এটি উপায় হ'ল কামৰ সংগঠন। Frederick Winslow Taylor নামৰ আমেৰিকাৰ এজন লোকে ১৮৯০ চনত এটা নতুন ব্যৱস্থা উদ্ভাৱন কৰিছিল যাক কোৱা হৈছিল " বিজ্ঞানসন্মত পৰিচালনা" (Scientific Management)। ইয়াকে আকৌ "টেইলৰবাদ" (Tailorism) বা " ঔদ্যোগিক অভিযান্ত্ৰিক" (Industrial Engineering) বোলাও হৈছিল। এই পদ্ধতিত প্ৰতিটো ডাঙৰ কাম সৰু সৰু ভাগত ভাগ কৰি নিৰ্দ্দিষ্ট কিছুমান বনুৱাৰ মাজত ভগাই দিয়া হয় আৰু এই বনুৱাসকলক নিৰ্দ্দিষ্ট এটা কামৰ বাবে বিৰাম ঘড়ী (stop watch) ৰ দ্বাৰা নিৰ্দ্দিষ্ট সময়সীমা বান্ধি দিয়া হয়। উদ্যোগত assembly line (কোনো যন্ত্ৰাংশ আদি কাৰখানাত নিৰ্মাণৰ বাবে শাৰী পাতি কাম কৰা শ্ৰমিকৰ শাৰী) ৰ প্ৰচলন ঘটাই উৎপাদনৰ গতিবেগ বঢ়োৱা হৈছিল। প্ৰত্যেকজন শ্ৰমিক conveyor belt (বস্তু কঢ়িওৱা যান্ত্ৰিক কৌশল) ৰ দীঘে দীঘে বহি প্ৰত্যেকেই একোটা যন্ত্ৰাংশ (চুৰান্ত উৎপাদিত সামগ্ৰীৰ আৱশ্যকীয় যন্ত্ৰাংশ) জোৰা লগাই গৈছিল। তেওঁলোকৰ কামৰ গতিবেগ conveyor belt ৰ বেগৰদ্বাৰা নিয়ন্ত্ৰিত হৈছিল। ১৯৮০ ৰ দশকত প্ৰত্যক্ষ নিয়ন্ত্ৰণৰ এই পদ্ধতিৰপৰা শ্ৰমিকসকলে আত্মনিষ্ঠতা আৰু দায়িত্বশীলতাৰে কাম কৰিবপৰা পৰোক্ষ নিয়ন্ত্ৰণ পদ্ধতিলৈ পৰিৱৰ্ত্তন কৰিবলৈ এক প্ৰচেষ্ঠা চলোৱা হৈছিল। কিন্তু আমি প্ৰায়েই পুৰণি টেইলৰিষ্ট প্ৰক্ৰিয়াবোৰেই বৰ্তী থকা দেখো।

ভাৰতবৰ্ষৰ বিভিন্ন উদ্যোগবোৰৰ ভিতৰত এক পুৰণি উদ্যোগ হিচাপে পৰিগণিত বস্ত্ৰ উদ্যোগৰ কৰ্মচাৰীসকলে নিজকে বহু সময়ত মেচিনৰ এক বৰ্ধিত ৰূপ বুলি ভাবিছিল। ১৯৪০ চনৰ পৰা কানপুৰ কটন মিলত কাম কৰা ৰামচৰণ নামৰ কাপোৰ বওঁতাজনৰ ভাষ্য আছিল এনে ধৰণৰ ঃ

তোমাৰ শক্তি থাকিব লাগিব। চকু, ডিঙি, হাত, ভৰি প্ৰতিটো অংগই ঘূৰাই থাকিবলগীয়া হয়। কাপোৰ বৈ থকা কামটো পূৰ্ণগতিত চলি থকাৰ সময়ত এজন কৰ্মচাৰী কেতিয়াও আন ঠাইলৈ যাব নোৱাৰে। এবাৰ যদি চাৰিওটা মেচিন কাম কৰিবলৈ আৰম্ভ

কৰে, তেন্তে সেইবোৰ বন্ধ হ'ব নোৱাৰে। (Joshi 2003)

লাহে লাহে বিভিন্ন উদ্যোগত যথেষ্ট সংখ্যক লোকে নিযুক্তি লাভ কৰিছিল আৰু তেওঁলোকে মেচিনৰ ওচৰে পাজৰে থাকি উৎপাদন কাৰ্যত জৰিত হৈছিল। মাৰুটি উদ্যোগ লিমিটেড নামৰ উদ্যোগটোত দেখা গৈছিল যে, প্ৰতি মিনিটত দুখনকৈ মাৰুতি কাৰ উৎপাদন হৈ বাহিৰ ওলাইছিল। তাতেই জানিব পাৰি তাত থকা অৰ্থাৎ উদ্যোগৰ ভিতৰত থকা কৰ্মচাৰীয়ে কিমান ব্যস্ত হৈ কাম কৰিব লগীয়া হয়। দেখা গৈছিল যে, সেই উদ্যোগৰ কৰ্মচাৰী সকলে সমগ্ৰ দিনটোত মাত্ৰ ৪৫ মিনিট সময় জিৰণি ল'ব পাৰিছিল। এই ৪৫ মিনিটত আছিল, এটাত ৭.৫ মিনিটকৈ দুটা চাহ বিৰতি আৰু ৩০ মিনিটৰ দুপৰীয়াৰ আহাৰ বিৰতি। এনে ধৰণৰ বিশ্ৰামহীন আৰু অবিৰাম কামৰ বাবে বহু কৰ্মচাৰী কম বয়সতে দুৰ্বল হৈ পৰিছিল আৰু যাৰ বাবে বেছি ভাগেই ৪০ বছৰ বয়স হওঁতেই স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰিছিল। আন এক উল্লেখনীয় কথা হ'ল- যিমানেই উৎপাদনৰ পৰিমাণ বাঢ়ি গৈছিল, সিমানেই স্থায়ী চাকৰিৰ পৰিমাণ কমি গৈছিল। ব্যৱসায়িক প্ৰতিষ্ঠানটোৱে চাফাই, নিৰাপত্তা আদিৰ লেখীয়া সেৱাসমূহ বাহিৰৰ উৎসৰপৰা গ্ৰহণ কৰিছিল। লগতে গাড়ী নিৰ্মাণৰ বাবে আৱশ্যকীয় অংশসমূহো বাহিৰত নিৰ্মিত।



এই ক্ষেত্ৰত দেখা গৈছিল যে গাড়ীৰ বাবে প্ৰয়োজনীয় অংশ যোগান ধৰোঁতাসকল ফাৰ্মখনৰ ওচৰে পাজৰেই বসবাস কৰিছিল আৰু প্ৰতি দুঘন্টাৰ মূৰে মূৰে বা মূৰামূৰিৰ সময়তহে যোগান ধৰিছিল। এই ব্যৱস্থাই কোম্পানীৰ খৰচ কমাই ৰাখে। কিন্তু এনে প্ৰক্ৰিয়াত বাহিৰৰপৰা শেষ মুহূৰ্তত আহি পোৱাটোৱে ফাৰ্মৰ ভিতৰৰ কৰ্মচাৰীসকলক মাজে মাজে সাংঘাতিকভাৱে মানসিক চাপ দিছিল। কিয়নো নিৰ্দ্দিষ্ট সময়ত যদি এই সামগ্ৰীবোৰ আহি নাপায়, তেন্তে নিৰ্দ্দিষ্ট সময়ত তেওঁলোকৰ বাবে উৎপাদনৰ যি লক্ষ্য

থাকে সেই লক্ষ্য পাব নোৱাৰিবও পাৰে। সেয়েহে সামগ্ৰী আহি পোৱাৰ লগে লগে তেওঁলোকে অত্যাধিক কাম কৰিব লাগে। এনেবোৰ পৰিস্থিতিৰ বাবেই তেওঁলোক ক্ৰমশঃ ভাগৰুৱা আৰু দুৰ্বল হৈ পৰিছিল।

এতিয়া আমি বৃত্তিৰ ওপৰত আলোচনা কৰোঁ। এনে চাকৰিৰ ভিতৰত উদাহৰণ স্বৰূপে আমি চাওঁ চফ্‌টৱেৰ অভিযন্তাৰ দৰে চাকৰিলৈ। এই বৃত্তিৰ বাবে এক উচ্চ পৰ্যায়ৰ শিক্ষাৰ প্ৰয়োজন। আনহাতে তেওঁলোকৰ কাম উৎসাজনক আৰু সৃষ্টিশীল বুলি জনা যায়। কিন্তু তেওঁলোকৰ কামটোৰ টেইলৰ ধৰ্মী (Talyrist) শ্ৰম পদ্ধতি (যি পদ্ধতিৰ বিষয়ে ওপৰত কিছু কথা অৱগত কৰা হৈছে) ৰ লগত সাদৃশ্য আছে।

**বন্ধনী ৫.৫**

**তথ্য প্ৰযুক্তি খণ্ডত ‘ সময়ৰ দাসত্ব’ (Time Slavery 'in the IT Sector)**

কোনো নিৰ্দ্দিষ্ট কাম কৰাৰ সময়সীমাৰ সন্মুখীন হোৱা অৱস্থাত ১০-১২ ঘন্টাৰ কাৰ্যদিন আৰু কৰ্মচাৰীসকলে ওৰে ৰাতি কাৰ্যালয়ত কাম কৰি কটোৱাটো ('nightout' বুলি জনা যায়) এক গতানুগতিক কথা। প্ৰকৃতাৰ্থত দীৰ্ঘ সময় ধৰি কাম কৰাটো উদ্যোগ এটাৰ কৰ্ম সংস্কৃতিৰ মূল দিশ। অন্য এটা দিশ হ’ল ভাৰত আৰু ইয়াৰ লগত ব্যৱসায়িক সহযোগিতা কৰা দেশৰ মাজত থকা সময়ৰ পাৰ্থক্যতা যেনে আমাৰ দেশত সন্ধ্যা যেতিয়া এখন স ভা অনুষ্ঠিত কৰা হয় তেতিয়া আমেৰিকাত এই সময়ত এটা কৰ্মদিনৰ আৰম্ভণি হয়। আন এক কাৰণ হ’ল বাহিৰা উৎসৰ পৰা অহা প্ৰকল্পবোৰৰ কাম সমাপ্ত কৰাৰ সময়সীমা বান্ধি দিয়াৰ বাবে অভিযন্তাসকলৰ কামৰ বোজা বাঢ়ি যায়, য’ত অত্যাধিক কামৰ বাবে কাৰ্যালয়ত অধিক সময় দিবলগীয়াত পৰে। ব্যৱসায়ৰ পৰিচালক পক্ষৰদ্বাৰা বিধিসন্মতভাৱে প্ৰচলিত বৰ্দ্ধিত কৰ্মসময় কৰ্মচাৰীসকলে নিজে বাছি লোৱাৰ (নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত) নিয়ম আছে যদিও আচলতে হাতত লোৱা কাম শেষ নকৰালৈকে তেওঁলোকে কাম কৰিব লাগিব। কিন্তু যেতিয়া কামৰ হেঁচা নাথাকে তেতিয়াও কৰ্মচাৰীসকলে সহকৰ্মীৰ হেঁচাত অথবা কামত যথেষ্ট কষ্ট কৰা বুলি মুৰব্বীক দেখুৱাবলৈ কাৰ্যালয়ত দেৰিলৈকে থাকে। (Carol Upadhya, Forthcoming)

এনে ধৰণে দিন-ৰাতি দীৰ্ঘ সময় কাম কৰিব লগা হোৱাৰ ফলত এনে ধৰণৰ তথ্য প্ৰযুক্তিৰ উদ্যোগ বা প্ৰতিষ্ঠান থকা ভাৰতৰ কিছুমান নগৰ যেনে বাংগালোৰ, হায়দৰাবাদ, গুড়গাঁও ইত্যাদিত হোটেল বা অন্যান্য দোকানবোৰ খুলি ৰখাৰ সময়ো পৰিবৰ্তন হৈ পৰিছে। এনে বহু হোটেল বা দোকান দিনৰ উপৰি ৰাতিও দেৰিলৈকে খুলি ৰখা হয় যাতে তাত কৰ্মৰত সকলে তেওঁলোকৰ প্ৰয়োজনীয়তা পূৰাই ল’ব পাৰে। এনে উদ্যোগত বা প্ৰতিষ্ঠানত যদি স্বামী-স্ত্ৰী দুয়োজনেই কাম কৰে, তেন্তে তেওঁলোকৰ শিশু সকলক শিশু চোৱা চিতা কৰা কেন্দ্ৰ (crech) ত ৰখা হয়। এই সন্দৰ্ভত আৰু এটা

উল্লেখযোগ্য কথা হ'ল যে ভাৰতৰ পৰম্পৰাগত যুটীয়া পৰিয়াল যি উদ্যোগীকৰণ প্ৰক্ৰিয়াৰ বাবেই লুপ্ত হ'বলৈ ধৰিছে বুলি ভৰা হয়, এনেবোৰ কাৰক অৰ্থাৎ শিশুৰ যতন লোৱা বা শিশুক চোৱা চিতা কৰিবৰ  বাবে যুটীয়া পৰিয়ালত থকাটোও ভৰা হৈছে। কিয়নো এটা যুটীয়া পৰিয়ালত থকা ককাক, আইতাক বা অন্যান্য বয়োজেষ্ঠ- বয়োজেষ্ঠা সকলে তেওঁলোকৰ পৰিয়ালৰ কোনো স্বামী-স্ত্ৰী যদি এনে উদ্যোগত কাম কৰে, তেন্তে তেওঁলোকৰ সন্তানক চোৱা-চিতা কৰিব পাৰে।

সমাজতত্ত্বীয় দিশেদি এই ক্ষেত্ৰত আন এটা যুক্তি- তৰ্কৰ কথা আহি পৰিছে। সেইয়া হ'ল- উদ্যোগীকৰণ আৰু জ্ঞান ভিত্তিক কৰ্ম (Knowledge based work) যেনে- তথ্য প্ৰযুক্তিগত কৰ্ম ইত্যাদিৰ যোগে অধিক পৰিমাণৰ দক্ষলোক সৃষ্টিত অৰিহণা যোগাইছে নেকি? আমি প্ৰায়ে " জ্ঞান ভিত্তিক অৰ্থনীতি" (knowledge economy) ভাৰতবৰ্ষত তথ্য প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা দেখা পাওঁ। অৰ্থাৎ তথ্য প্ৰযুক্তিৰ লগত মানুহৰ জ্ঞানৰ সু-সম্পৰ্ক আছে। এইখিনিতে মন কৰিবলগীয়া এটা কথা হ'ল যে যদিওৱা তথ্য প্ৰযুক্তিৰ লগত সংযুক্ত কৰ্মীসকল যথেষ্ট দক্ষ আৰু জ্ঞান পুষ্ট বুলি গণ্য কৰা হয়, তথাপিও কৃষকৰ দৰে বৃত্তিত নিয়োজিত লোক সকলো যথেষ্ট দক্ষতা পূৰ্ণ আৰু  কৃষিৰ ওপৰত জ্ঞান থকা ব্যক্তি হিচাপে ভাৱিব পাৰি।  কিয়নো এই কৃষক সকলে বতৰ, জলবায়ু, মাটিৰ গুণাগুণ ইত্যাদি বুজি লৈ ভিন্ন ধৰণৰ শস্যৰ কৃষি কৰে। অৰ্থাৎ বতৰত কি শস্য কৰিব কেনে ধৰণৰ মাটিত কেনে ধৰণৰ শস্য কৰিব লাগে। এইবোৰৰ ওপৰত তেওঁলোকৰ যথেষ্ট জ্ঞান থাকে। সেয়ে ক'ব পাৰি তথ্য প্ৰযুক্তিৰ লগত সংযুক্ত আৰু কৃষকসকল দুয়োধৰণৰ লোকৰে দক্ষতা আছে, অৱশ্যে ভিন্ন দিশত। কিন্তু  আজি বিশ্বৰ প্ৰান্তে প্ৰান্তে  মেছিনৰ ব্যৱহাৰ হৈছে। এই মেচিনৰ ব্যৱহাৰৰ ক্ষেত্ৰত এজন প্ৰখ্যাত সমাজতত্ববিদ  Harry Braverman এ কৈছে যে- মেচিনৰ বহুল ব্যৱহাৰে শ্ৰমিক বা কৰ্মচাৰীক দক্ষতাহীন কৰি তুলিছে। উদাহৰণ স্বৰূপে- কম্পিউটাৰৰ বহুল ব্যৱহাৰে বহু অভিযন্তা বা স্থপতিৰ কৰ্মপটুতা কমাই আনিছে।

## ৫.৫ কৰ্মস্থলীৰ বাতাবৰণ (Working Conditions)

আমি সকলোৱে জীৱনত ইটা-লোৰে নিৰ্মিত এটা ঘৰ, কাপোৰ-কানি, বিদ্যুৎ শক্তি আৰু অন্যান্য প্ৰয়োজনীয় বহু বস্তু বিচাৰো। এই ক্ষেত্ৰত আমি মনত ৰখা উচিত যে, এই সামগ্ৰীবোৰ উৎপাদন কৰিবলৈ বহুতে শ্ৰম কৰে। কেতিয়াবা খুব বেয়া পৰিৱেশত এইসকল লোকে কাম কৰিবলগীয়া হয়। ইতিমধ্যে চৰকাৰে শ্ৰমিক সকলৰ কৰ্মস্থলীৰ পৰিৱেশ পৰিস্থিতি উন্নত কৰিবলৈ বহুতো আইন প্ৰণয়ন কৰিলে। এই ক্ষেত্ৰত আমি যদি ভাৰতৰ ভিন্ন খনিলৈ চাওঁ, তেন্তে দেখিম যে বহু সংখ্যক শ্ৰমিক খনি ক্ষেত্ৰত নিয়োজিত

হৈ আছে। কেৱল কয়লা খনিবোৰতে প্ৰায় ৫.৫ লাখ শ্ৰমিক নিয়োজিত হৈ আছে। এই কয়লাখনিবোৰত লাখ লাখ শ্ৰমিকৰ কল্যাণ বা সুৰক্ষাৰ বাবে ইতিমধ্যে আইন প্ৰণয়ন কৰা হৈছে। ১৯৫২ চনৰ পৰা বলৱৎ কৰা 'খনি আইন ১৯৫২' (The Mines Act 1952) আইনখনে খনিত এজন শ্ৰমিকে এটা সপ্তাহত মুঠ কিমান ঘন্টা কাম কৰিব আৰু নিৰ্দ্দিষ্ট সময়তকৈ বেছি কাম কৰিলে যে পাৰিশ্ৰমিক বঢ়াই দিব লাগিব তাৰ বিষয়ে নীতি-নিয়ম নিৰ্দ্দিষ্ট কৰা হৈছিল। এই নিৰ্দ্দিষ্ট নীতি নিয়মবোৰ কয়লা খননৰ লগত জড়িত ডাঙৰ কোম্পানীবোৰে গ্ৰহণ কৰি আহিছে যদিও সৰু কোম্পানীবোৰে নকৰে। আনকি কয়লাৰ লগত জড়িত বহু ঠিকাদাৰে শ্ৰমিকৰ উপস্থিতি বা অন্যান্য ক্ষেত্ৰত ব্যৱহাৰ কৰা পঞ্জীয়ন বহীও সঠিক ভাৱে ব্যৱহাৰ নকৰে। আনকি দূৰ্ঘটনা বা অন্যান্য ক্ষেত্ৰত পাবলগীয়া সা-সুবিধাবোৰৰ পৰাও বহু ক্ষেত্ৰত বঞ্চিত কৰি আহিছে। আনহাতে কোনো এঠাইত খনন শেষ হোৱাৰ পাছত সৃষ্টি হোৱা গাঁতবোৰ কোম্পানীবোৰৰ যোগে পুতি পেলাই সেই ঠাই খননৰ আগৰ অৱস্থাত যেনে আছিল তেনে হোৱাটো বিচৰা হয় যদিও কোম্পানীবোৰে সাধাৰণতে তেনে ব্যৱস্থা গ্ৰহণ নকৰে।

দেখা যায় যে খনিৰ ভিতৰত কাম কৰা কৰ্মীসকলে এক বিপদসংকুল পৰিৱেশত কাম কৰিব লগীয়া হয়। কেতিয়াবা খনিৰ ভিতৰত অধিক পানী হয়, কেতিয়াবা জুই জ্বলি উঠে, কেতিয়াবা খনিৰ কাষৰ মাটি বা ওপৰ ভাগ খহি পৰে, কেতিয়াবা হানিকাৰক গেছৰ নিৰ্গমন হয়, কেতিয়াবা আকৌ খনিৰ ভিতৰলৈ উশাহত গ্ৰহণ কৰা গেছ যাব পৰা পথো বন্ধ হৈ পৰে। এই প্ৰতিটো ঘটনাৰ বাবেই খনিৰ ভিতৰত কাম কৰা শ্ৰমিক সকলে বিপদজ্জনক পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰে।



দেখা গৈছে যে, এনেবোৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত খনিৰ ভিতৰত কাম কৰা শ্ৰমিকে নানা ধৰণৰ বেমাৰ আজাৰ যেনে উশাহ- নিশাহ লোৱাৰ অসুবিধা, যক্ষ্মা (Tuberculosis) চিলিকোছিছ (Silicosis) ইত্যাদিৰ সন্মুখীন হয় । কেতিয়াবা আকৌ খনিৰ ভিতৰত হোৱা বিস্ফোৰণ আৰু কঠিন পদাৰ্থ খহি পৰাৰ ফলত গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্তও হয়। দেখা গৈছে যে, অন্যান্য দেশৰ তুলনাত ভাৰতত এনে ধৰণৰ খনিত হোৱা দুৰ্ঘটনাৰ হাৰ বহু বেছি।

**বন্ধনী ৫.৬**

**ঝাৰখণ্ডৰ এক খনিৰ ভিতৰত ৫৪ জন শ্ৰমিক আৱদ্ধ হৈ পৰা সময়ছোৱা (IANS,September 7,2006)**

কয়লা খনিৰ ভিতৰত হোৱা দুৰ্ঘটনাবোৰৰ ভিতৰত এটা উল্লেখনীয় ঘটনা ঘটিছিল ঝাৰখণ্ডৰ নাগাদা নামৰ ঠাইৰ ভাট্‌দিহ কয়লা খনিত। বুধবাৰ নিশাৰ প্ৰায় ৮ মান বজাত খনিৰ ভিতৰত বিষাক্ত গেছ নিৰ্গমন হৈ প্ৰচণ্ড বিস্ফোৰণ ঘটিছিল যাৰ দ্বাৰা ৫৪ জন খনিৰ শ্ৰমিক খনিৰ ভিতৰত আবদ্ধ হৈ পৰিছিল। কিয়নো বিষাক্ত মিথেন আৰু কাৰ্বন মনক্সাইড গেছ এই বিস্ফোৰণৰ যোগে খনিৰ ভিতৰ ভাগত এনেদৰে বিয়পি পৰিল যে ভিতৰত থকা কৰ্মীসকল উশাহ-নিশাহত ভীষণ কষ্ট পাই আবদ্ধ হৈ পৰিল। Bharat Coking Coal Limited (BCCL) কোম্পানীৰ অধীন এই খনিটোৰ এই বিস্ফোৰণৰ প্ৰাৱল্য ইমানেই বেছি আছিল যে, এক টন ওজনৰ ১৭ নং ট্ৰলীখন উৰি গৈছিল। চাৰিটাকৈ উদ্ধাৰকাৰী দল শ্ৰমিক সকলক খনিৰ পৰা উদ্ধাৰ কৰিবলৈ নমোৱা হৈছিল। কিন্তু উপযুক্ত পৰিমাণৰ অক্সিজেন মুখা" (Oxygen Musk) নথকাত উদ্ধাৰকাৰী দলেও সুগভীৰ খনিৰ ভিতৰত প্ৰৱেশ কৰিব পৰা নাছিল। বেছিভাগ শ্ৰমিকেই আছিল ২০ ৰ পৰা ৩০ বছৰ বয়সৰ ভিতৰত। শ্ৰমিকসকলৰ পৰিয়ালবৰ্গ আৰু শ্ৰমিক সংঘবোৰৰ নেতাসকলে এই ঘটনাৰ বাবে BCCL ৰ পৰিচালনা বিভাগকেই দোষাৰোপ কৰিছিল। এনে এজন নেতাৰ মতে " এই খনিটো এটা বিষাক্ত গেছেৰে ভৰপূৰ খনি। তৎস্বত্বেও কোনো ধৰণৰ সতৰ্কমূলক ব্যৱস্থা BCCL ৰ পৰিচালনা বিভাগে গ্ৰহণ কৰা নাই। খনিৰ ভিতৰত পানীৰ ব্যৱস্থা আৰু গেছ পৰীক্ষা কৰা যন্ত্ৰ থকাটো উচিত যদিও এই খনিত তেনেধৰণৰ ব্যৱস্থাবোৰ নাছিল"।

দেখা যায় যে বহু উদ্যোগৰ শ্ৰমিক সকল বিভিন্ন ঠাইৰ পৰা প্ৰব্ৰজন কৰি অহা। উপকূলবৰ্তী মৎস উদ্যোগসমূহত নিয়োজিত কৰ্মীৰ অধিকাংশই হৈছে তামিলনাডু, কৰ্ণাটক আৰু কেৰালাৰ পৰা অহা কমবয়সীয়া অকলশৰীয়া মহিলা। ইয়াৰ দহ-বাৰ গৰাকী থাকিব পৰা সৰু সৰু কোঠাৰ ব্যৱস্থা আছে। পাল পাতি কাম কৰাৰ প্ৰক্ৰিয়াটোত কেতিয়াবা এনেও হয় যে এটা দল কামলৈ ওলাই যায় আৰু আনটো দল কোঠাত সোমায়। কৰ্মৰত এই ছোৱালীবোৰ আছিল কামৰ প্ৰতি আনুগত্য থকা ধৰণৰ। আনহাতে বহু অবিবাহিত বা বিবাহিত পুৰুষে তেওঁলোকৰ পৰিয়ালক দূৰৈৰ গাঁৱত এৰি অকলেই এনে স্থানত কাম কৰিবলৈ আহিছিল। দেখা গৈছিল ১৯৯২ চনত চুৰাট নগৰীত এনেকৈ কৰ্মৰত ২ লাখ উড়িয়া প্ৰব্ৰজনকাৰী শ্ৰমিকৰ ৮৫ শতাংশই পৰিয়ালৰ কোনো সদস্যকে নানি অকলশৰীয়াকৈ আহি শ্ৰমিক হিচাপে আছিলহি। এই সকলো প্ৰব্ৰজনকাৰীয়ে নিজকে সামাজিকীকৰণ কৰিবলৈ খুৱ কম সময় পাইছিল। যেতিয়াই কিছু সময় পাইছিল, সেই সময়ত লগৰ শ্ৰমিক সকলৰ লগত বিভিন্ন কামত কটাই দিছিল। টকা-পইচাও লগৰ প্ৰব্ৰজনকাৰী শ্ৰমিকৰ সৈতে খৰচ কৰি দিছিল। যুটীয়া পৰিয়ালৰ প্ৰাধান্য থকা এখন দেশৰ পৰা পৰিয়ালৰ পৰা আঁতৰত গোলকীকৃত অৰ্থনীতিত কাম কৰাৰ প্ৰকৃতিয়ে মানুহক নিসঙ্গতা

আৰু হতাশাগ্ৰস্ততাৰ দিশলৈ লৈ গৈছে। অৱশ্যে এই বাতাবৰণে বহুতো কম বয়সীয়া মহিলাক কিছু পৰিমাণে স্বাধীন আৰু স্বাৱলম্বী হোৱা কথাটোক প্ৰতিনিধিত্ব কৰিছে।

## ৫.৬ গৃহভিত্তিক কৰ্ম (Home based Work)


গৃহভিত্তিক কৰ্ম হৈছে অথনীতিৰ এক গুৰুত্বপূৰ্ণ অংগ। লে'ছ্ বনোৱা, গুণাৰ ফুল বছা বা ভমকাফুলীয়াকৈ বোৱা কাপোৰ, দলিচা, বিড়ি, ধূপ ইত্যাদি ঘৰতে তৈয়াৰ কৰা সামগ্ৰী গৃহভিত্তিক কৰ্মৰ ভিতৰত পৰে। এইবোৰ কৰ্মত মূলতঃ মহিলা আৰু ল'ৰা-ছোৱালীবোৰ নিয়োজিত হৈ থাকে। এজেন্টে এই কৰ্মীসকলক প্ৰয়োজনীয় কেঁচা দ্ৰব্যৰ যোগান ধৰে আৰু পাছত কৰ্মীসকলৰপৰা নিৰ্মিত সামগ্ৰীসমূহ সংগ্ৰহ কৰে। গৃহকৰ্মীসকলক এনেবোৰ সামগ্ৰীৰ বাবদ খুচুৰা হিচাপে (piece-rate) এজেন্টে ধন আদায় দিয়ে।



এইখিনিতে এক বিড়ি উদ্যোগৰ প্ৰসঙ্গলৈ আহো। বনাঞ্চল বা গছ-গছনিৰে ভৰা গাঁওসমূহৰ পৰাই বিড়ি প্ৰস্তুতকৰণৰ প্ৰাৰম্ভিক কাম-কাজৰ সূচনা হয়। গাঁৱৰ মানুহে টেণ্ডোগছৰ পাত ছিঙি আনি বনৱিভাগ বা ব্যক্তিগত ঠিকাদাৰক বেচে। সাধাৰণতে এজন লোকে গড় হিচাপত দৈনিক ১০০ মুঠি গছৰ পাত (প্ৰত্যেক মুঠিতে ৫০ খিলাকৈ থাকে) সংগ্ৰহ কৰিব পাৰে। তাৰপিছত বনবিভাগৰ সহযোগত চৰকাৰে পাতবোৰ কোনো বিড়ি কাৰখানাৰ মালিকক নিলামত বিক্ৰী কৰে। কাৰখানাৰ মালিকে দায়িত্ব অৰ্পণ কৰা ঠিকাদাৰসকলে ধঁপাত আৰু পাতবোৰ গৃহভিত্তিক কৰ্মীক যোগান ধৰে। এই কৰ্মীসকল সাধাৰণতে মহিলা। এওঁলোকে প্ৰথমে টেণ্ডোগছৰ পাতবোৰ সেমেকাই সেইবোৰ জোখত কাটি লয়। এইবাৰ পাতবোৰ মেৰিয়াই লৈ তাত সমানভাৱে ধঁপাত ভৰাই সূতাৰে বান্ধে। ইয়াৰ পাছত ঠিকাদাৰসকলে এই বিড়িবোৰ সংগ্ৰহ কৰি নি বিড়ি প্ৰস্তুতকাৰীসকলৰ হাতত

**ক্ৰিয়া কলাপ ৫.৩**

ধঁপাতৰ খেতি কেনেকৈ হয়, কেনেকৈ ইয়াক সংৰক্ষণ কৰি ৰখা হয় আৰু কেনেদৰে এইবোৰ বিড়ি তৈয়াৰ কৰা কৰ্মীৰ হাতত পৰেঁগৈ বিচাৰ কৰা।




বিক্ৰী কৰে। তাৰ পাছৰ পৰ্যায়ত বিড়িবোৰ সেকা হয় আৰু বিড়ি প্ৰস্তুতকাৰী উদ্যোগে তেওঁলোকৰ পৰিচয়জ্ঞাপক চিহ্নসহ বিশেষ নাম বিড়িবোৰৰ ওপৰত লগায়। ইয়াৰ পাছত বিড়িবোৰ কোনো বিতৰক (distributor) ক বেচা হয়। বিতৰকসকলে পুনৰ বিড়িৰ পেকেটবোৰ পাইকাৰী বিক্ৰেতা (whole-saler) ক বিক্ৰী কৰে যিসকলে কাষৰীয়া দোকানত গ্ৰাহকসকলৰ বাবে বিক্ৰী কৰে।

সম্পূৰ্ণৰূপে নিৰ্মিত বিড়িৰ মূল্য কেনেদৰে ভাগ-বিতৰণ হয় সেইয়া কাষৰ পাই চিত্ৰত চাওঁ আহা (Bhandari 2005: 410)। ইয়াত দেখা গৈছে যে, আটাইতকৈ অধিক ধন প্ৰস্তুতকৰ্তা উদ্যোগবোৰে লাভ কৰে। ইয়াৰ কাৰণ হৈছে জনমানসত তেওঁলোকৰ পৰিচয়জ্ঞাপক চিহ্নই বহন কৰা ক্ষমতা সম্পন্ন উজ্জ্বল ভাৰমূৰ্তি।

**বন্ধনী ৫.৭**

### এগৰাকী বিড়িকৰ্মীৰ জীৱন কাহিনী

বিদ্যালয়ৰ শিক্ষা আধাতে সামৰা মাধু এজনী ১৫ বছৰীয়া ছোৱালী। অষ্টম শ্ৰেণীৰ পৰীক্ষাত অকৃতকাৰ্য হোৱাৰ পাছত তাই পঢ়া-শুনা বাদ দিছিল। যোৱা বছৰ যক্ষ্মাৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰা তাইৰ দেউতাক বৃত্তিত এজন দৰ্জী আছিল। ফলত মাক আৰু ল'ৰাছোৱালীয়ে কাম কৰাটো আৱশ্যকীয় হৈ পৰিছিল। মাধুৰ ১৭ বছৰীয়া ককায়েক গেলামালৰ দোকানত আৰু ১৪ বছৰীয়া ভয়েক চকলেট পেকেট কৰা প্ৰতিষ্ঠানত কামত সোমাইছিল। মাধুৱে মাকৰ সৈতে বিড়ি বনায়। অতি কম বয়সৰপৰাই তাই এই কাম আৰম্ভ কৰিছিল। বিড়ি বনোৱা কাম কৰি তাই ভাল পায় কিয়নো এই কামটোৱে তাইক মাক আৰু অন্যান্য মহিলাসকলৰ কাষত বহি তেওঁলোকৰ কথোপকথন শুনাৰ সুযোগ দিয়ে। টেণ্ডো গছৰ পাতৰ মেৰবোৰত তাই ধঁপাত ভৰায়। ঘৰুৱা অন্যান্য কামবোৰতকৈ এই কামটোত তাই অধিক সময় কটায়। দৈনিক ঘন্টাকে ঘন্টা একেটা ভঙ্গীতে বহি বহি কাম কৰাৰ ফলত তাইৰ পিঠিৰ বিষ হৈছে। মাধুৱে পুনৰ বিদ্যালয়লৈ গৈ পঢ়া-শুনা আৰম্ভ কৰিব বিচাৰে। (Bhandari 2005:406)

## ৫.৭ ধৰ্মঘট আৰু শ্ৰমিক সংঘ (Strikes and Unions)

শ্ৰমিক সংঘৰ লগত বহু কৰ্মী সংযোজিত হৈ থাকে। ভাৰতত শ্ৰমিক সংঘবোৰে আঞ্চলিকতাবাদ আৰু জাতিভেদৰ লেখীয়া বহুতো সমস্যা অতিক্ৰম কৰিবলগীয়া হয়। দত্ত ইশ্বলকাৰ নামৰ এজন শ্ৰমিকে বোম্বেৰ কল-কাৰখানাত সম্পূৰ্ণভাৱে বিলুপ্তি নঘটা জাতি ব্যৱস্থাৰ বিষয়ে এনেদৰে বৰ্ণনা কৰিছেঃ

মাৰাঠী শ্ৰমিকসকলে মডাৰ্ন মিলত কৰ্মৰত বিষ্ণু নামৰ মাহাৰ জাতিৰ শ্ৰমিকৰ সৈতে একেলগে বহি পাণ খায়, কিন্তু তেওঁৰ হাতেৰে পানী নাখায়। তেওঁলোকে বিষ্ণুক কেতিয়াও বেয়া ব্যৱহাৰ কৰা নাছিল, তেওঁলোক বিষ্ণুৰ বন্ধু আছিল অথচ তেওঁৰ ঘৰলৈ কেতিয়াও যোৱা নাছিল। মাহাৰ জাতিৰ লোকসকলে লগত অনা দুপৰীয়া আহাৰো তেওঁলোকে খোৱা নাছিল। হাস্যকৰ কথাটো হ'ল মাৰাঠী শ্ৰমিকসকলে উত্তৰ ভাৰতীয় শ্ৰমিকসকলৰ জাতি নিৰ্দ্ধাৰণ কৰিবলৈ অসমৰ্থ হোৱাৰ বাবে উত্তৰ ভাৰতীয় শ্ৰমিকৰ ক্ষেত্ৰত অস্পৃশ্যতাৰ নীতি-নিয়মবোৰ মানি চলিব পৰা নাছিল। (Menon & Andarkar, 2004:113)

অসুবিধাজনক পৰিস্থিতিত কলবোৰত কাম কৰিবলগীয়া হোৱা হেতুকে মাজে-সময়ে শ্ৰমিকসকলে ধৰ্মঘটৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল। ধৰ্মঘট চলিলে কৰ্মীসকল কামলৈ নাযায়, আনহাতে তলাবন্ধত কলৰ কৰ্তৃপক্ষই কলৰ প্ৰৱেশদ্বাৰ বন্ধ কৰি দিয়ে যাতে প্ৰতিবাদী শ্ৰমিকসকল কলৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰে। ধৰ্মঘটৰ নিৰ্দ্দেশ জাৰি কৰাটো এটা কঠিন সিদ্ধান্ত। কাৰণ কৰ্তৃপক্ষই বাহিৰা শ্ৰমিকক কামত লগাব পাৰে। তাৰোপৰি মজুৰি অবিহনে পেট প্ৰৱৰ্তনৰ কথাটো শ্ৰমিকসকলৰ পক্ষে টান হৈ পৰে।

এতিয়া আমি এটি বিখ্যাত ধৰ্মঘট কাৰ্যসূচীৰ বিষয়ে আলোচনা কৰো, যিটো ভাৰতৰ শ্ৰমিক সংঘৰ এজন নেতা ডক্তৰ দত্ত চামান্ট (Dr. Datta Samant) ৰ নেতৃত্বত ১৯৮২ চনত বোম্বেৰ বস্ত্ৰ উদ্যোগত সংঘটিত হৈছিল। উল্লেখ্য এই কাৰ্যসূচীয়ে প্ৰায় ২.৫ লাখ শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত প্ৰভাৱ পেলাইছিল। প্ৰায় দুটা বছৰ ধৰি চলা এই ধৰ্মঘট কাৰ্যসূচী যোগে বম্বেৰ বস্ত্ৰ ঔদ্যোগৰ শ্ৰমিক সকলে বেছি পাৰিশ্ৰমিক দাবী কৰাৰ উপৰিও নিজাকৈ শ্ৰমিক সংঘ গঠন কৰিব বিচাৰিছিল। কিন্তু 'বম্বে ঔদ্যোগিক সম্পৰ্ক আইন' (Bombay Inlustrial Relation Act ) বা চমুকৈ (BIRA) ৰ অধীনত এটা সংঘ অনুমোদিত হ'ব লাগিব আৰু অনুমোদন পাবলৈ হ'লে কোনো কাৰণতে ধৰ্মঘট কৰিব নোৱাৰিব। কংগ্ৰেছ নেতৃত্বাধীন 'ৰাষ্ট্ৰীয় মিল মজদুৰ সংঘ' ই আছিল একমাত্ৰ অনুমোদনপ্ৰাপ্ত সংঘ, যি সংঘই ধৰ্মঘটৰ সময়ত কলত কাম কৰিবলৈ বাহিৰৰপৰা অন্যান্য শ্ৰমিক আনি কৰ্তৃপক্ষক সহায় কৰিছিল। ইয়াৰ লগতে চৰকাৰেও শ্ৰমিকসকলৰ দাবী অগ্ৰাহ্য কৰিছিল। মনোবল ভাগি পৰা শ্ৰমিকসকলে দুবছৰ পাছত লাহে লাহে আগৰ কল-কাৰখানাবোৰত কামত যোগ দিয়া আৰম্ভ কৰিছিল। প্ৰায় এক লাখ শ্ৰমিকে তেওঁলোকৰ কাম হেৰুৱাইছিল আৰু নিজ নিজ গাঁৱলৈ উভতি

গৈছিল বা সাময়িক শ্ৰমিক হিচাপে কাম আৰম্ভ কৰিছিল। অন্যান্যসকলে ভিৱাণ্ডি, মালেগাঁও আৰু ইচ্ছালকৰনঞ্জিৰ লেখীয়া সৰু চহৰবোৰলৈ গৈ তাত থকা শক্তিচালিত তাঁতশাল খণ্ডৰ কামত সোমাইছিল। কলৰ মালিকসকলে যন্ত্ৰাংশ আৰু আধুনিকীকৰণত ধন বিনিয়োগ কৰা নাছিল। বৰ্ত্তমান কলৰ মালিকসকলে বহুমহলীয়া বিলাসী আৱাসিক গৃহ নিৰ্মাণ কৰোতা ভূ-সম্পত্তি ব্যৱসায়ী (real estate dealers) ক কম দামতে কলৰ মাটি বেচিবলৈ চেষ্টা চলাইছে। ইয়েই বোম্বেৰ ভৱিষ্যতৰ সংজ্ঞা কোনে নিৰূপণ কৰিব সন্দৰ্ভত এক ৰণৰ সৃষ্টি কৰিব- শ্ৰমিকসকলে নেকি যিসকলে বোম্বেক নিৰ্মাণ কৰিছে অথবা নে কলৰ মালিক আৰু ভূ-সম্পত্তি ব্যৱসায়ী এজেন্টসকলে।

**বন্ধনী ৫.৮**

**জয়প্ৰকাশ ভিলাৰে, প্ৰাক্তন কলশ্ৰমিক,** মহাৰাষ্ট্ৰ গিমি কামগাৰ ইউনিয়নৰ সাধাৰণ সম্পাদক ঃ

বস্ত্ৰ উদ্যেগৰ শ্ৰমিকসকলে কেৱল তেওঁলোকৰ মূল মজুৰি [basic wage] আৰু দৈনিক ভাত্তা [DA] ৰ বাহিৰে অন্য একো ভাত্তা পোৱা নাছিল। আমি মাত্ৰ পাঁচদিনৰ নৈমিত্তিক ছুটী (casual leave) পাইছিলো। অন্যান্য উদ্যোগত কৰ্মৰত শ্ৰমিকসকলে ভ্ৰমণ বানচ, চিকিৎসাৰ সা-সুবিধা আৰু ১০-১২ দিনৰ নৈমিত্তিক ছুটী পাবলৈ আৰম্ভ কৰিছিল। বস্ত্ৰউদ্যোগত কাম কৰি থকা প্ৰতিবাদী শ্ৰমিক সকলে----১৯৮১ ৰ চনৰ ২২ অক্টোবৰত, ষ্টেণ্ডাৰ্ড মিলৰ শ্ৰমিকসকল সংঘবদ্ধ হৈ ড° দত্ত চামান্টৰ নেতৃত্ব বিচাৰি তেওঁৰ ঘৰলৈ গৈছিল। প্ৰথম অৱস্থাত তেওঁ অসন্মতি প্ৰকাশ কৰি জনাইছিল যে উদ্যোগটো BIRA ৰ অধীনত পৰে আৰু বস্ত্ৰ উদ্যোগৰ বিষয়ে তেওঁ বৰ বিশেষ একো নাজানে। শ্ৰমিকসকল কিন্তু এনে উত্তৰৰ প্ৰতীক্ষাত নাছিল আৰু তেওঁলোক ওৰেৰাতি দত্ত চামান্টৰ ঘৰৰ বাহিৰত অৱস্থান লৈ থাকিল। অৱশেষত ৰাতিপুৱা তেওঁ সন্মতি প্ৰদান কৰিছিল।

**লক্ষ্মী ভাটকাৰ ,** ধৰ্মঘট অংশগ্ৰহণকাৰী ঃ

ধৰ্মঘট মই সমৰ্থন কৰিছিলো। প্ৰত্যেক দিনেই আমি প্ৰৱেশদ্বাৰৰ বাহিৰত বহি আছিলো আৰু কাৰ্যপন্থা আলোচনা কৰিছিলো। মাজে সময়ে আয়োজিত হোৱা বিভিন্ন প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিলো--------- এই কাৰ্যসূচীবোৰ বিশালৰূপত অনুষ্ঠিত হৈছিল----- আমি কেতিয়াও সা-সম্পত্তি লুট কৰা নাছিলো আৰু কাকো আঘাত কৰাও নাছিলো। মোক কেতিয়াবা বক্তব্য দিবলৈ কোৱা হৈছিল, কিন্তু মই বক্তৃতা দিবলৈ অপৰাগ আছিলো। মোৰ ভৰি কঁপিছিল। তাৰোপৰি মোৰ সন্তানসকলৰপৰা মই ভয় খাইছিলো- সিহঁতে কি ক'ব? ভাবিব যে সিঁহতে ঘৰত লঘোণে আছে আৰু মাকৰ ফটো বাতৰিকাকতত ছপা হৈছে.......... এবাৰ চেঞ্চুৰী মিলৰ শ্ব'ৰূমলৈ এক প্ৰতিবাদী সমদল গৈছিল। আমাক গ্ৰেপ্তাৰ কৰি ব'ৰিভালিলৈ লৈ গৈছিল। নিজৰ সন্তানকেইটালৈ মোৰ বৰ মনত পৰিছিল। মই একো খাব পৰা নাছিলো। মোৰ ভাৱ হৈছিল যে আমি অপৰাধী নহয়, আমি কলশ্ৰমিক। আমাৰ তেজ পানী কৰা শ্ৰমৰ পাৰিশ্ৰমিকৰ বাবে আমি যুঁজিছো।

**কিচান চালুংকে,** প্ৰাক্তন মিলশ্ৰমিক, স্প্ৰিং মিলচঃ

ধৰ্মঘট আৰম্ভ হোৱাৰ প্ৰায় ডেৰমাহৰ পাছত RMMS ৰ দ্বাৰা চেঞ্চুৰী মিল খোলা হৈছিল। ৰাষ্ট্ৰ আৰু চৰকাৰৰ সমৰ্থনপুষ্ট হোৱাৰ বাবে তেওঁলোকে এইটো কৰিব পাৰিছিল। তেওঁলোকে বাহিৰালোকক কলৰ ভিতৰলৈ লৈ আনিছিল আৰু লোকসকলক কোনোমতে বাহিৰলৈ ওলাই আহিব নোৱাৰাকৈ ভিতৰতেই আৱদ্ধ কৰি থৈছিল। ----ভোঁচ্‌লে (সেইসময়ত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী) এ শ্ৰমিকসকলক ৩০.০০ টকা বঢ়াই দিয়াৰ প্ৰস্তাৱ দিছিল। ড° দত্ত চামান্টে এই বিষয়ক আলোচনাৰ বাবে এখন সভা আহ্বান কৰিছিল, য'ত সকলো আগশাৰীৰ সক্ৰিয় নেতা উপস্থিত আছিল। আমি কৈছিলো,"নাই আমি এয়া বিচৰা নাই। যদি ধৰ্মঘটকাৰী নেতাসকলৰ সৈতে কোনো সন্মানজনক আলোচনা অনুষ্ঠিত নহয় তেতিয়া আমি হাৰাশাস্তি নোহোৱাকৈ কামলৈ উভতি যাবলৈ সক্ষম ন'হম।"

**দত্ত ইশ্বলকাৰ, সভাপতি,** মিল চউলচ্ টেনান্ট এছ'ছিয়েশ্বন ঃ

চৰকাৰে ধৰ্মঘট ভংগ কৰাবলৈ বাবু ৰেচিম, ৰামা নায়ক, অৰুণ গাউলী আদিৰ লেখীয়া সকলো গুণ্ডাকে কাৰাগাৰৰপৰা মুকলি কৰি লৈ আনিছিল। তেওঁলোকে শ্ৰমিকসকলক ভাবুকি দিবলৈ আৰম্ভ কৰিছিল। ধৰ্মঘট ভংগকাৰীসকলক প্ৰহাৰ কৰাৰ বাহিৰে আমাৰ একো বিকল্প নাছিল। এয়া আমাৰ বাবে জীৱন-মৰণৰ বিষয় আছিল।

**ভাই ভোঁচ্‌লে ,** ১৯৮২ চনৰ ধৰ্মঘটৰ কালছোৱাত (RMMS) ৰ সাধাৰণ ,সম্পাদক ঃ

ধৰ্মঘটটো আৰম্ভ হোৱাৰ তিনি মাহৰ পাছত আমি কলত কাম কৰিবলৈ মানুহ পাব ধৰিলো.......আমাৰ কথা আছিল যদিহে মানুহে কাম কৰিব বিচাৰে তেন্তে কৰিবলৈ দিয়া আৰু প্ৰকৃতাৰ্থত তেওঁলোকক সহায় কৰা উচিত......মাফিয়া দল জড়িত হোৱাৰ বিষয়টোৰ বাবে মই জবাবদিহি। দত্ত চামান্টৰ মানুহবোৰে কাম কৰিবলৈ যোৱা শ্ৰমিকসকলক বাধা দিবলৈ সুবিধাজনক ঠাইত অৱস্থান লৈছিল। আমিও পাৰেল আৰু অন্যান্য ঠাইত প্ৰত্যাক্ৰমণ কৰিব পৰাকৈ মানুহ সাজু কৰি থৈছিলো। স্বাভাৱিকতে সংঘৰ্ষ হৈছিল আৰু ঠায়ে ঠায়ে ৰক্তাক্ত পৰিস্থিতিৰো সৃষ্টি হৈছিল... যেতিয়া ৰামানায়কৰ মৃত্যু সংঘটিত হৈছিল, তেতিয়া মৃতকক শ্ৰদ্ধা নিৱেদন কৰিবলৈ সেইসময়ৰ মেয়ৰ ভূজবাল চৰকাৰী বাহনত আহিছিল। ৰাজনীতিত থকা বহু ব্যক্তিয়ে এনে ধৰণৰ গুণ্ডালোকক মাজে সময়ে ব্যৱহাৰ কৰি আহিছিল।

**কিচান চালুংকে,** প্ৰাক্তন কল কৰ্মচাৰী ঃ

সেইখিনি অতি কঠিন সময় আছিল। আমি আমাৰ বাচন-বৰ্তনসমূহ বিক্ৰী কৰিব লগা হৈছিল। বাচনবোৰ দেখ দেখকৈ বজাৰলৈ লৈ যাবলৈ আমাৰ লাজ লাগিছিল, সেয়েহে মৰাপাটৰ থৈলাত ভৰাই দোকানলৈ নিছিলো.... এনেকুৱাও দিন গৈছিল যেতিয়া ভোকত খাবলৈ পানীৰ বাহিৰে একো নাছিল। আমি কাঠৰ গুড়া কিনি ইন্ধন হিচাপে জ্বলাইছিলো। মোৰ তিনিটা পুত্ৰ সন্তান আছিল। কেতিয়াবা যেতিয়া ল'ৰাহঁতৰ বাবে খাবলৈ গাখীৰ নাথাকে তেতিয়া সিহঁতক ভোকত থকা সহ্য কৰিব নোৱাৰি মোৰ ছাতিটো লৈ ঘৰৰ বাহিৰলৈ ওলাই গৈছিলো।

**চিন্দু মাৰহানে,** প্ৰাক্তন কল শ্ৰমিক ঃ

মোক জোৰ কৰি কামলৈ ঘূৰাই নিবলৈ ‘ৰাষ্ট্ৰীয় মিল মজদুৰ সংঘ’ (RMMS) আৰু গুণ্ডাবাহিনী মোৰ ওচৰলৈও আহিছিল। কিন্তু মই যাবলৈ অমান্তি হৈছিলো............ চাৰিওফালে গুজব ওলাইছিল যে কাৰখানাতে থাকি কাম কৰা মহিলা শ্ৰমিকসকলৰ কি হৈছিল। তাত ধৰ্ষণৰ কিছুমান ঘটনা ঘটিছিল।

### বন্ধনী ৫.৮ ৰ অনুশীলনী

১৯৮২ চনত সংঘটিত কলকাৰখানাৰ শ্ৰমিকৰ ধৰ্মঘটৰ বিষয়ে ওপৰত উল্লেখিত কথাখিনি পঢ়ি তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া।

১) ১৯৮২ চনৰ বস্ত্ৰ উদ্যোগৰ শ্ৰমিকৰ লগতসংযুক্ত হৈ থকা দিশবোৰ আলোচনা কৰা।

২) বস্ত্ৰ উদ্যোগৰ শ্ৰমিকসকলে কিয় ধৰ্মঘট কৰিছিল ?

৩) দত্ত চামান্টে ধৰ্মঘটটোৰ নেতৃত্ব কেনেদৰে ল’বলগীয়াত পৰিছিল ?

৪) ধৰ্মঘট ভংগ কৰিব খোজাসকলৰ ভূমিকা কি আছিল ?

৫) মাফিয়া (গুণ্ডা) বাহিনীয়ে কেনেকৈ ঔদ্যোগীক ক্ষেত্ৰ সমূহত খোপনি পুতিছিল ?

৬) মহিলাসকল কেনেদৰে প্ৰভাৱান্বিত হৈছিল আৰু ধৰ্মঘট চলি থাকোতে তেওঁলোকৰ চিন্তাৰ বিষয়বোৰ কি আছিল ?

৭) ধৰ্মঘট চলি থকা সময়ত শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালবোৰে কেনেদৰে জীৱন নিৰ্বাহ কৰিছিল ?

# প্ৰশ্নাৱলী

১. তোমালোকৰ চৌপাশে দেখা বৃত্তিবোৰৰপৰা যিকোনো এটা বাছনি কৰা আৰু তলত উল্লেখিত দিশবোৰেদি বৰ্ণনা কৰা ঃ

ক) শ্ৰমিক বাহিনীৰ সামাজিক বিন্যাস - জাতি, লিঙ্গ, বয়স, ধৰ্ম;

খ) শ্ৰম প্ৰক্ৰিয়া - কেনেদৰে কাৰ্য সম্পাদন হয় ;

গ) পাৰিশ্ৰমিক আৰু অন্যানা সা-সুবিধা;

ঘ) কৰ্মক্ষেত্ৰৰ পৰিবেশ - সুৰক্ষা, জিৰণি সময়, কামৰ সময়সীমা ইত্যাদি;

অথবা

২. বন্ধনীবোৰত বৰ্ণনা কৰা ইটাৰ নিমাৰ্ণ কাৰ্য, বিড়ি বনোৱা, চফ্টৱেৰ ইঞ্জিনিয়াৰিং বা খনিত কাম কৰা শ্ৰমিকসকলৰ সামাজিক বিন্যাস বৰ্ণনা কৰা। তেওঁলোকে কেনে ধৰণৰ পৰিবেশত কাম কৰে আৰু কেনে সুবিধা লাভ কৰে? মাধুৰ দৰে ছোৱালীয়ে তেওঁলোকৰ কামৰ সন্দৰ্ভত কেনেদৰে ভাৱে?

৩. ভাৰতবৰ্ষত উদাৰীকৰণ নীতিয়ে নিয়োগ পদ্ধতিত কেনে প্ৰভাৱ পেলাইছে?

## REFERENCES

Anant, T.C.A. 2005. 'Labour Market Reforms in India: A Review'. In Bibek Debroy and P.D. Kaushik Eds. *Reforming the Labour Market.* pp. 235-252. Academic Foundation. New Delhi.

Bhandari, Laveesh. 'Economic Efficiency of Sub-contracted Home-based Work'. In Bibek Debroy and P.D. Kaushik Eds. *Reforming the Labour Market.* pp. 397-417. Academic Foundation. New Delhi.

Breman, Jan. 2004. The Making and Unmaking of an Industrial Working Class. Oxford University Press. New Delhi.

Breman, Jan. 1999. 'The Study of Industrial Labour in post-colonial India – The Formal Sector: An Introductory review'. *Contributions to Indian Sociology.* Vol 33 (1&2), January-August 1999. pp. 1-42.

Breman, Jan. 1999. 'The Study of Industrial Labour in post-colonial India – The Informal Sector: A concluding review'. *Contributions to Indian Sociology.* Vol 33 (1&2), January-August 1999. pp. 407-431.

Breman, Jan and Arvind, N. Das. 2000. *Down and Out: Labouring Under Global Capitalism.* Oxford University Press. Delhi.

Datar, Chhaya. 1990. 'Bidi Workers in Nipani'. In Illina Sen, *A Space within the Struggle.* pp. 1601-81. Kali for Women. New Delhi.

Gandhi, M.K. 1909. *Hind Swaraj and other writings.* Edited by Anthony J. Parel. Cambridge

University Press. Cambridge.
George, Ajitha Susan. 2003. *Laws Related to Mining in Jharkhand*. Report for UNDP.
Holmstrom, Mark. 1984. *Industry and Inequality: The Social Anthropology of Indian Labour*. Cambridge University Press. Cambridge.
Joshi, Chitra. 2003. *Lost Worlds: Indian Labour and its Forgotten Histories Delhi.* Permanent Black. New Delhi.
Kerr, Clark et al. 1973. Industrialism and Industrial Man. Penguin. Harmondsworth.
Kumar, K. 1973. Prophecy and Progress. Allen Lane. London.
Menon, Meena and Neera, Adarkar. 2004. *One Hundred Years, One Hundred Voices: the Millworkers of Girangaon: An Oral History*. Seagull Press. Kolkata.
PUDR. 2001. *Hard Drive: Working Conditions and Workers Struggles at Maruti.* PUDR. Delhi.
Roy, Tirthankar. 2001. 'Outline of a History of Labour in Traditional Small-scale Iindustry in India'. *NLI Research Studies Series.* No 015/2001. V.V. Giri National Labour Institute. Noida.
Upadhya, Carol. forthcoming. *Culture Incorporated: Control over Work and Workers in the Indian Software Outsourcing Industry.*